সুকন্যা

দেওবৰীয়া

নিয়মীয়া বাৰ্তা ▫ দেওবাৰ, ১৭ নৱেম্বৰ ২০২৪ www.niyomiyabarta.com

ভিতৰৰ পৃষ্ঠাত

- ঐতিহাসিক শিৱসাগৰ
- কেৰ চলাই স্বাৱলম্বিতাৰ পথ দেখুওৱা যোৰহাটৰ উচ্চ শিক্ষিত যুৱতী
- প্ৰণামী হালৈৰ স্বাৱলম্বনৰ সংগ্ৰামী যাত্ৰা
- মৰাণৰ লেখিকা চুতীয়াৰ কৰ্মমুখী যাত্ৰা
- কপৌজাতীয় উদ্ভিদ ঃ সংৰক্ষণ সংবৰ্ধন আৰু সম্ভাৱনা
- ৰেচিপি ঃ চিকেন টেংগী কাবাব

...**মই** তৃতীয় শ্ৰেণীত পঢ়ি থাকোঁতেই গুৰুতৰ এজমা ৰোগত আক্ৰান্ত হৈছিলোঁ। এই ৰোগে মোৰ সমগ্ৰ জীৱন যন্ত্ৰণাময় কৰি তুলিছে। কিন্তু এজমা মোৰ বাবে আওপকীয়াকৈ আশীৰ্বাদ **হৈ আহিছে। কাৰণ, এজমাই মোক কবিতা লিখিবলৈ আৰু ভালদৰে পঢ়া-শুনা কৰিবলৈ মনৰ মাজত এটা জেদৰ সৃষ্টি কৰিছিল। নিশা গভীৰ হৈ অহাৰ লগে লগে এজমাৰ বাবে মই উশাহ-** নিশাহ লোৱাত কষ্ট পাইছিলোঁ। গোটেই নিশা মই পেটত গাৰু এটা গুঁজি লৈ সূৰ্য উদয় হোৱালৈ অপেক্ষা কৰিছিলোঁ। সেই সময়তে মই কবিতা লিখিবলৈ **লৈছিলোঁ...**

অসমীয়া ভাষা অতীজৰে পৰা ধ্ৰুপদী

ক্ষমতাৰ যুঁজে অসম সাহিত্য সভাৰ মৰ্যাদা হ্ৰাস কৰিছে

বৰেণ্য সাহিত্যিক-ভাষাবিদ ড° লীলাৱতী শইকীয়া বৰা

সুদীৰ্ঘ ৫টা দশকৰো অধিক কাল অসমীয়া ভাষা আৰু ব্যাকৰণৰ গভীৰভাৱে চৰ্চা কৰি আহিছে বৰেণ্য সাহিত্যিক, বিশিষ্ট ভাষাবিদ ড° লীলাৱতী শইকীয়া বৰাই। ভাষা বিষয়ত পিএইচডিপ্ৰাপ্ত অসমৰ প্ৰথমগৰাকী মহিলা ড° শইকীয়াই ১৯৭৮ চনৰ ২১ ফেব্ৰুৱাৰীৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত ক্ৰমে প্ৰবক্তা, ৰীডাৰ আৰু প্ৰাধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ কৰি ২০১৩ চনৰ ৩০ এপ্ৰিলত অৱসৰ গ্ৰহণ কৰে। ড° শইকীয়াৰ অধীনত সৰ্বমুঠ ১৯গৰাকী গৱেষকে পিএইচডি ডিগ্ৰী লাভ কৰিছে। অসম সাহিত্য সভাৰ শ্ৰমিক প্ৰাণ সৰ্বেশ্বৰ বৰদলৈ বঁটা, মণিক চন্দ্ৰ বৰুৱা বঁটা, অসম চৰকাৰৰ সাহিত্য বঁটাকে ধৰি অসংখ্য সন্মান লাভ কৰা ভাষাবিদগৰাকীয়ে ভাষা-সাহিত্যৰ সুবাস, মাধৱ কন্দলীৰ ৰামায়ণৰ ভাষা, সংস্কৃত-পালি প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ, অসমীয়া ভাষাৰ ৰূপতত্ত্ব, অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ আদিকে ধৰি অসংখ্য চিন্তাশীল (মৌলিক) ৰচনাৰে অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰাৰ উপৰি ৪খন কাব্যগ্ৰন্থ, অনূদিত গল্প আৰু উপন্যাস, ৮খন সম্পাদিত গ্ৰন্থ প্ৰকাশ কৰাৰ উপৰি অজস্ৰ চিন্তাশীল প্ৰবন্ধ প্ৰকাশ কৰিছে। তেওঁৰ অধিকাংশ গ্ৰন্থই মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হৈছে। ১৯৭৪ চনত গল্প সৌৰভ যতীন বৰাৰ সৈতে বিবাহপাশত আবদ্ধ হোৱা ড° শইকীয়াই বহু ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰি গৱেষণা গ্ৰন্থ পাঠ কৰিছে। এইগৰাকী মহান ভাষাবিদৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰ পঢ়ুৱৈসকলৈ আগবঢ়োৱা হ'ল।

■ অসমীয়া ভাষা ক্ৰমান্বয়ে সংকটৰ গৰাহত সোমাই পৰিছে বুলি বহুতে ক'ব খোজে। এইক্ষেত্ৰত আপুনি কি ক'ব আৰু ইয়াৰ কাৰণ কি বুলি আপুনি ভাবে?

উত্তৰ ঃ অসমীয়া মানুহখিনিয়ে নিজৰ ভাষাটোক অৱহেলা কৰি অহা বাবেই অসমীয়া ভাষাৰ বিপদ আজিও আঁতৰি নগ'ল। চৰকাৰী পৃষ্ঠপোষকতাতে হওক অথবা বেচৰকাৰীভাৱেই হওক, বিগত সময়ছোৱাত অসমীয়া ভাষাৰ উন্নতিত যথেষ্ট বাধা প্ৰদান কৰি অহা হৈছে। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত অসম ব্ৰিটিছৰ অধীনলৈ গৈছিল। তেতিয়াও অসমীয়া ভাষাটোৰ ইমান বেমেজালি হোৱা নাছিল। পিছে প্ৰশাসনিক সুবিধাৰ বাবে ব্ৰিটিছে বহু বঙালীভাষী লোকক অসমলৈ অনাৰ পিছত একাংশ প্ৰভাৱশালী ব্যক্তিৰ প্ৰৰোচনাত অসমৰ চৰকাৰী কাৰ্যালয়সমূহত বঙালী ভাষা চৰকাৰী ভাষা হিচাপে ব্যৱহৃত হৈছিল। কিন্তু অসমৰ ৰাইজে প্ৰবল প্ৰতাপী ব্ৰিটিছক অসমীয়া ভাষাৰ প্ৰতি থকা স্বাভিমানৰ কথা আন্দোলনৰ জৰিয়তে জনাই দিছিল। অসমত পুনৰাই অসমীয়া ভাষা প্ৰতিষ্ঠা হ'ল যদিও অসমীয়া ভাষাটোক দুৰ্বল কৰাৰ বাবে তাহানিৰ পৰাই গভীৰ ষড়যন্ত্ৰ চলি আছে। এতিয়া খোদ অসমীয়া জনসাধাৰণেই নিজৰ ভাষাটোক অৱহেলা কৰিবলৈ লৈছে। গৰিষ্ঠসংখ্যক অসমীয়া ছাত্ৰ-ছাত্ৰী আনকি অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীয়েও ভালদৰে অসমীয়া কাকতখনো পঢ়িব নোৱাৰে। নিজৰ ভাষাটোৰ প্ৰতি শ্ৰদ্ধাশীল নহ'লে আমাৰ সুজলা-সুফলা ভাষাটো হয়তো এদিন কালৰ বুকুত লীন হৈ যাব।

■ আপোনাৰ জন্ম, শৈশৱ আৰু শৈক্ষিক জীৱনৰ বিষয়ে আমাৰ পঢ়ুৱৈসকলক জনাব নেকি?

ঃ মোৰ জন্ম হৈছিল নগাঁও জিলাৰ পুৰণিগুদামৰ সমীপৱৰ্তী চলচলি হালোৱা গাঁৱত। মোৰ পিতৃ আছিল প্ৰয়াত মোহন চন্দ্ৰ শইকীয়া আৰু মাতৃ নিসাৰী শইকীয়া। ১৯৬৬ চনত হালোৱা গাঁও গাৰ্লছ হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত আৰু ১৯৭০ চনত নগাঁও গাৰ্লছ কলেজৰ পৰা স্নাতক, ১৯৭২ চনত অসমীয়া বিষয়ৰ ভাষা শাখাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভেৰে উত্তীৰ্ণ হৈছিলোঁ। ১৯৮৬ চনত মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পিএইচডি ডিগ্ৰী লাভ কৰিছিলোঁ। মোৰ গৱেষণাৰ বিষয় আছিল The Ramayana of Madhav Kandali : A Linguistic Study' । স্নাতকোত্তৰ পৰীক্ষাৰ ফলাফল ওলোৱাৰ পূৰ্বেই মই ১৯৭২ চনৰ ১ নৱেম্বৰৰ পৰা ১৯৭৪ চনৰ ৩০ অক্টোবৰলৈ নগাঁৱৰ এডিপি কলেজত অসমীয়া বিভাগৰ প্ৰবক্তাৰূপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ। ১৯৭৪ চনৰ ১ নৱেম্বৰৰ পৰা ১৯৭৮ চনৰ ২০ ফেব্ৰুৱাৰীলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰবক্তা হিচাপে চাকৰি কৰাৰ পিছত ১৯৭৮ চনৰ ২১ ফেব্ৰুৱাৰীৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰবক্তা, ১৯৮৮ চনত ৰীডাৰ আৰু ২০০০ চনত প্ৰাধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি ২০১৩ চনৰ ৩০ এপ্ৰিলত মই অৱসৰ গ্ৰহণ কৰোঁ।

■ স্কুলীয়া জীৱনতে কবিতা লিখিবলৈ আৰম্ভ কৰাৰ পিছত পৰ্যায়ক্ৰমে এগৰাকী সাহিত্যিক আৰু অসমীয়া ভাষাৰ গৱেষক, পণ্ডিতৰূপে অসমীয়া ভাষা-সাহিত্যলৈ অমূল্য বৰঙণি আগবঢ়াই আহিছে। এই সফলতাপূৰ্ণ সুদীৰ্ঘ যাত্ৰাপথত আপোনাক কোনে অনুপ্ৰাণিত কৰিলে?

ঃ মই তৃতীয় শ্ৰেণীত পঢ়ি থাকোঁতেই গুৰুতৰ এজমা ৰোগত আক্ৰান্ত হৈছিলোঁ। এই ৰোগে মোৰ সমগ্ৰ জীৱন যন্ত্ৰণাময় কৰি তুলিছে। কিন্তু এজমা মোৰ বাবে আওপকীয়াকৈ আশীৰ্বাদ হৈ আহিছে। কাৰণ এজমাই মোক কবিতা লিখিবলৈ আৰু ভালদৰে পঢ়া-শুনা কৰিবলৈ মনৰ মাজত এটা জেদৰ সৃষ্টি কৰিছিল। নিশা গভীৰ হৈ অহাৰ লগে লগে এজমাৰ বাবে মই উশাহ-নিশাহ লোৱাত কষ্ট পাইছিলোঁ। গোটেই নিশা মই পেটত গাৰু এটা গুঁজি লৈ সূৰ্য উদয় হোৱালৈ অপেক্ষা কৰিছিলোঁ। সেই সময়তে মই কবিতা লিখিবলৈ লৈছিলোঁ। মনৰ মাজৰ পৰা বহু সুন্দৰ কবিতাৰ জন্ম হৈছিল সেই সময়ছোৱাত। ১৯৭১ চনৰ জুলাইত মই হঠাতে অজ্ঞান হৈ পৰিছিলোঁ আৰু মোক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। চেতনা ঘূৰি অহাৰ পিছত মই যন্ত্ৰণাৰ মাজেৰে সূৰ্য উদয় হোৱালৈ অপেক্ষা কৰিছিলোঁ। সেই সময়তে লিখা এটি কবিতা মোৰ আজিও মনত পৰে। কবিতাটোৰ শিৰোনাম আছিল— 'এনেকৈয়ে জীয়াই আছোঁ'। কবিতাটো আছিল— 'এনেকৈয়ে/এনেকৈয়ে জীয়াই আছোঁ/প্ৰতিমুহূৰ্ততে মৃত্যু উভতি যায়/বুকুত বৰফৰ হাত থৈ/নীলা পদুমৰ সুগন্ধি পুখুৰীত/সাঁতুৰি-নাদুৰি ফুৰোঁ/ৰাজহংস হৈ/কেৰেচীয়াকৈ পৰা/দুই-এচেৰেঙা ৰ'দত হৃদয় টঙাই লওঁ/মৃত্যুৰে হতাহতি/ভাগৰত জাপ খায়/দুচকুৰ পতা/ বুকুত কজলা পাহাৰ লৈ/এনেকৈয়ে/এনেকৈয়ে জীয়াই আছোঁ।' হয়তো এইবিধ জটিল ৰোগত আক্ৰান্ত হোৱা বাবেই মই সাহিত্য চৰ্চা কৰিবলৈ হাতত কলম তুলি লৈছিলোঁ।

■ এনে এটি জটিল ৰোগ কঢ়িয়াই লৈ ফুৰা সত্ত্বেও আপুনি প্ৰতিটো পৰীক্ষাত অভাৱনীয় ফলাফল দেখুৱাবলৈ সক্ষম হৈছিল। এয়া কিদৰে সম্ভৱ হৈছিল?

ঃ আগতেও কৈছোঁ যে এজমাই মোৰ জীৱন দুৰ্বিষহ কৰি তুলিছিল। এই ৰোগৰ বাবে মই ভালদৰে পঢ়া-শুনা কৰিব পৰা নাছিলোঁ। কিন্তু অধ্যয়নৰ প্ৰতি থকা স্পৃহাৰ বাবে মই এজমাৰ বিৰুদ্ধে যুঁজ দি গৈছিলোঁ। নিতৌ প্ৰায় ১৬ মাইল খোজকাঢ়ি কলেজলৈ অহা-যোৱা কৰিছিলোঁ। প্ৰায়ে চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হৈছিল। নিশা বেছিভাগ সময় মই পঢ়িব পৰা নাছিলোঁ। স্নাতক চূড়ান্ত পৰীক্ষাৰ পূৰ্বে মই গুৰুতৰভাৱে অসুস্থ হৈ পৰিছিলোঁ। চিকিৎসকে মোক পৰীক্ষা দিব পৰাকৈ সুস্থ নহয় বুলি জনাইছিল। কিন্তু মই জোৰকৈ পৰীক্ষা দিবলৈ গৈছিলোঁ। আধা ঘণ্টামান লিখাৰ পাছতে মই অজ্ঞান হৈ পৰিছিলোঁ। চিকিৎসকে আহি চিকিৎসা প্ৰদান কৰাৰ পিছত কিছু সুস্থ হৈ উঠিছিলোঁ আৰু ছাৰহঁতৰ বাধা নামানি পুনৰ পৰীক্ষাত বহিছিলোঁ। এনেদৰে পৰীক্ষা দিয়াৰ পিছত মই সেইবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত অসমীয়া বিষয়ত অনাৰ্ছসহ সৰ্বোচ্চ নম্বৰ তথা প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি বিষ্ণুপ্ৰসাদ দুৱৰা স্বৰ্ণপদকেৰে সন্মানিত হৈছিলোঁ। অনুৰূপ পৰিস্থিতিৰ মাজেৰেই মই স্নাতকোত্তৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিলোঁ আৰু ১৯৭২ চনত অসমীয়া বিষয়ৰ ভাষা শাখাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ স্বৰ্ণপদক আৰু শ্ৰীমন্ত শংকৰদেৱ সোঁৱৰণী বঁটা লাভ কৰিছিলোঁ। একেদৰেই মই গৱেষণা কৰি অসমৰ প্ৰথমগৰাকী মহিলাৰূপে ভাষা বিষয়ত পিএইচডি লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। চাকৰি জীৱনতো মোক এইবিধ ৰোগে জুৰুলা কৰিছিল যদিও ভাষা বিষয়ৰ কেইবাখনো মূল্যৱান গ্ৰন্থ ৰচনা কৰাৰ উপৰি মোৰ অধীনত ১৯গৰাকী গৱেষকে পিএইচডি ডিগ্ৰী লাভ কৰিছে। এই সময়ছোৱাত নিয়মীয়াভাৱে ভাষা বিষয়ক বিভিন্ন গৱেষণামূলক প্ৰবন্ধ লিখাৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰিছোঁ আৰু গৱেষণা পত্ৰ পাঠ কৰিছোঁ।

■ অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। অসমীয়া ভাষাৰ ঐতিহ্য সম্পৰ্কে আপুনি কি ক'ব?

ঃ আচলতে অসমীয়া ভাষা অতীতৰ পৰাই ধ্ৰুপদী। ইয়াৰ বিষয়বস্তু, তাৰ গাম্ভীৰ্য আৰু ঐতিহ্য অতি প্ৰাচীন। আমাৰ অসমীয়া ভাষাৰ নিশ্চয় এটা সবল ইতিহাস আছিল। নহ'লে চৰ্যাপদৰ পিছতে ইমান এটা উন্নত ভাষাৰ সৃষ্টি হ'ব নোৱাৰে, সেই ইতিহাসটো হয়তো লুপ্ত হৈছে। কিন্তু ভাষাৰ বিষয়বস্তু, গাঁথনি, ভাষাৰ বক্তব্য প্ৰকাশ কৰাৰ কৌশল আদি আটাইবোৰেই ধ্ৰুপদী। প্ৰহ্লাদ চৰিত্ৰৰ পৰা আৰম্ভ কৰি অৰ্থাৎ প্ৰাক্ শংকৰী, শংকৰী, শংকৰোত্তৰ যুগৰ সাহিত্য আচলতে ধ্ৰুপদী সাহিত্য। আমাৰ অসমীয়া ভাষাৰ ইতিহাসটো সপ্তম শতিকাৰ পৰাই দেখুৱাব পাৰোঁ। কাৰণ সেই সময়তে আমাৰ ভাষাটোৱে গঢ় লৈছে। কিন্তু ভাষাটোৱে সাহিত্যিক মৰ্যাদা লাভ কৰিছে ত্ৰয়োদশ শতিকাত। চৰ্যাপদৰ মাজত অসমীয়া ভাষাৰ বহু উপাদান আছে। একেদৰে বঙালী, ভোজপুৰী, মগধী, মৈথিলী আদি আটাইবোৰ ভাষাৰে প্ৰাচীনতম লিখিত ৰূপ পোৱা যায়। চৰকাৰে নতুনকৈ ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰি অধিক গুৰুত্ব প্ৰদান কৰিব বিচাৰিছে। পিছে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিলেই নহ'ব। ভাষাটোক জীয়াই ৰাখিবলৈ চৰকাৰ আৰু জনসাধাৰণ যত্নপৰ হ'ব লাগিব। চীনা পৰিব্ৰাজক হিউৱেন চাং অসমলৈ অহা সময়তে অসমীয়া ভাষাটোৱে স্পষ্ট ৰূপ লৈছিল। তেওঁৰ টোকাৰ পৰাই সেই বিষয়ে জানিব পাৰি। পুৰণি কামৰূপত প্ৰৱেশ কৰি এই ভাষাটো শুনাৰ পিছত তেওঁ কৈছিল যে মধ্য ভাৰতৰ ভাষাতকৈ কামৰূপৰ ভাষাটো অলপহে পৃথক। গতিকে এনে এটি ঐতিহ্যমণ্ডিত ভাষা ৰক্ষা কৰিবলৈ চৰকাৰে বিদ্যালয়সমূহত অসমীয়া ভাষাটো বাধ্যতামূলক কৰিব লাগিব। ছাত্ৰ-ছাত্ৰী আৰু পিতৃ-মাতৃসকলৰ মাজত অসমীয়া ভাষাৰ প্ৰতি সৃষ্টি হোৱা হীনমন্যতা আঁতৰাব পাৰিলেহে অসমীয়া ভাষাৰ অৱক্ষয় ৰোধ কৰিব পৰা যাব আৰু তেতিয়াহে এই ভাষাটোৱে লাভ কৰা মৰ্যাদা প্ৰকৃত অৰ্থত সাৰ্থক হ'ব।

■ পুনৰ বিতৰ্কৰ মাজলৈ আহিছে অসম সাহিত্য সভা। শেহতীয়াভাৱে সভাৰ সভাপতি নিৰ্বাচনক কেন্দ্ৰ কৰি আৰম্ভ হৈছে এই বিতৰ্ক। সভাপতিৰ বাবে প্ৰস্তুত কৰা প্ৰথমখন পেনেলত আপোনাৰ নামো অন্তৰ্ভুক্ত হৈছিল। আপুনি কিয় এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে?

ঃ অসমীয়া ভাষা-সাহিত্যৰ প্ৰসাৰ আৰু চৰ্চাৰ উদ্দেশ্যে অসমৰ বৰেণ্য সাহিত্যিকসকলে গঠন কৰা অসম সাহিত্য সভা অসমবাসীৰ বাবে আছিল হিয়াৰ আমঠু। সভাৰ সভাপতিৰ দৰে সন্মানজনক পদ অলংকৃত কৰিছে অসমৰ একাংশ প্ৰসিদ্ধ সাহিত্যিক, গৱেষক আৰু পণ্ডিত প্ৰৱৰ লোকে। কিন্তু শেহতীয়াভাৱে একাংশ লোকৰ খোৱা-কামোৰা আৰু ক্ষমতা দখলৰ স্থলীলৈ পৰ্যবসিত হৈছে। এতিয়া প্ৰধান সম্পাদক আৰু উপ-সভাপতিসকলে অসম সাহিত্য সভাৰ সভাপতি হোৱাৰ এক প্ৰৱণতা আৰম্ভ হৈছে। আচলতে সভাপতি পদৰ বাবে চলি অহা নিৰ্বাচন প্ৰক্ৰিয়াক আমি সমৰ্থন নকৰোঁ। সুদীৰ্ঘ কাল অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা তথা সাহিত্য সৃষ্টিকৰ্মত ব্ৰতী হৈ অহা বৰেণ্য সাহিত্যিকসকলক এই পদলৈ বাছনি কৰিব লাগে। এটা সময়ত সাহিত্য সভা বুলি ক'লে দূৰ-দূৰণিৰ পৰা মানুহ দৌৰি গৈছিল। আজি কিন্তু সেই পৰিৱেশ নাই। ক্ষমতাৰ যুঁজৰ বাবে অসম সাহিত্য সভাৰ মৰ্যাদা হ্ৰাস পাইছে। সাহিত্য সভাৰ সভাপতিৰ পেনেলত মোৰ নাম অন্তৰ্ভুক্ত কৰাত মই আচৰিত হৈছোঁ। মই এতিয়া শাৰীৰিকভাৱেও সিমান সুস্থ নহয়। সেইবাবে মই নাম প্ৰকাশ হোৱাৰ পিছতে লিখিতভাৱে এই পদৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ নহওঁ বুলি জনাই দিছিলোঁ।

■ অসম সাহিত্য সভাই মহিলা সাহিত্যিক সকলক বঞ্চিত কৰি অহা বুলি অভিযোগ উত্থাপন হৈ আহিছে। আপুনিও এই অভিযোগ সঁচা বুলি ভাবেনে?

ঃ অসম সাহিত্য সভাই মহিলা সাহিত্যিকক বঞ্চিত কৰি অহা বুলি উত্থাপিত অভিযোগ মিছা নহয়। কাৰণ পূৰ্বেও বহু যোগ্য মহিলা সাহিত্যিকক সভাৰ সভাপতি পদৰ পৰা কৌশলপূৰ্ণভাৱে বঞ্চিত কৰিছে। বৰ্তমান সময়তো ৰীতা চৌধুৰী, কৰবী ডেকা হাজৰিকা, অৰূপা পটংগীয়া কলিতাইঁতৰ নিচিনা বহু সাহিত্যিক আছে, যিসকলক অসম সাহিত্য সভাই সভাপতিৰ সন্মান আগবঢ়াব পাৰে। কিন্তু এতিয়াও হৈ উঠা নাই। হয়তো এনে অভিযোগ খণ্ডন কৰিবৰ বাবেই সভাপতিৰ পেনেলত মোৰ নিচিনা দুই-এগৰাকীৰ নাম অন্তৰ্ভুক্ত কৰি তেওঁলোক অভিযোগমুক্ত হ'ব বিচাৰে। আচলতে এয়া অসম সাহিত্য সভা আৰু অসমৰ সাহিত্য অনুৰাগীৰ বাবেও দুৰ্ভাগ্যজনক।

■ সম্প্ৰতি অসমত ভাষাৰ চৰ্চা কৰা লোকৰ সংখ্যা কমি অহা বুলি অনুভৱ হয়। আচলতে অসমীয়া ভাষা আৰু ব্যাকৰণৰ জগতখনত এক শূন্যতাৰ সৃষ্টি হোৱা বুলি আপুনি ভাবে নেকি?

ঃ এয়া সঁচা কথা আৰু অসমীয়া ভাষা-সাহিত্যৰ বাবে এক চিন্তনীয় বিষয়। অসমত সাহিত্য চৰ্চা কৰা লোকৰ সংখ্যা অধিক যদিও ভাষাৰ চৰ্চা কৰা লোকৰ সংখ্যা অতি তাকৰ। অমূল্য ভৰালী, খনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা, গোলোক চন্দ্ৰ গোস্বামী, নগেন ঠাকুৰ, ড° উপেন্দ্ৰ নাথ গোস্বামী আদি স্বনামধন্য সাহিত্যিকসকলে অসমীয়া সাহিত্যৰ লগতে ভাষা আৰু ব্যাকৰণৰ গভীৰ অধ্যয়ন, চৰ্চা আৰু গৱেষণা কৰিছিল। সম্প্ৰতি আমাৰ লগতে উপেন ৰাভা হাকাচাম আদি কেইজনমানেহে ভাষা আৰু ব্যাকৰণৰ চৰ্চা অব্যাহত ৰাখিছে। অসমৰ বিভিন্ন বিশ্ববিদ্যালয় আৰু কলেজত কৰ্মৰত ভাষা বিষয়ৰ অধ্যাপক-অধ্যাপিকাসকলেও লিখা-মেলা তথা ভাষাৰ চৰ্চা কৰা দেখা নাযায়। সাহিত্য জীয়াই ৰাখিবলৈ ভাষা আৰু ব্যাকৰণৰ চৰ্চা কৰা অতি প্ৰয়োজন। সেইবাবে সকলোৱে ভাষাৰ অধ্যয়ন আৰু গভীৰ চৰ্চাত মনোনিৱেশ কৰিব লাগে।

■ আপোনাৰ দৃষ্টিত জীৱন আৰু শিক্ষকতাৰ অৰ্থ কি?

ঃ সমগ্ৰ জীৱনটো কৰ্মময়। কৰ্ম কৰাৰ বাবেহে যেন জীৱন। প্ৰতিগৰাকী ব্যক্তিয়ে প্ৰতিমুহূৰ্তে কামেই কৰি গৈছে। সেয়া যি কামেই নহওক। মই অধ্যাপনা কৰাৰ সময়তো ছাত্ৰ-ছাত্ৰীৰ নিচিনাকৈ পঢ়িছিলোঁ। কাৰণ মই তেওঁলোকক সদায় নতুন বস্তু দিব বিচাৰিছিলোঁ। শিক্ষকসকলেও কেৱল শিক্ষকতা কৰাই নহয়, নতুন নতুন চিন্তাৰে ছাত্ৰ-ছাত্ৰীসকলক সদায় নতুন ধাৰণা দিব লাগে।

■ নতুন লেখকসকলক লৈ আপুনি আশাবাদীনে? তেওঁলোকক কি পৰামৰ্শ দিব বিচাৰিব?

ঃ মই যথেষ্ট আশাবাদী। আমাৰ পিছৰ পৰ্যায়ত বহু প্ৰতিভাৱান সাহিত্যিকৰ জন্ম হৈছে। তেওঁলোকে বহু ভাল ভাল কাম কৰি আছে। নতুন লেখকসকলক এটা পৰামৰ্শ দিব বিচাৰোঁ যে তেওঁলোকে অসমীয়া ভাষাটো শুদ্ধকৈ ক'বলৈ আৰু লিখিবলৈ যত্ন কৰক। প্ৰত্যেকেই এখনকৈ হ'লেও ব্যাকৰণ আৰু অভিধান ঘৰত ৰাখক। যাতে তেওঁলোকে কিবা অসুবিধাত পৰিলেই অভিধান আৰু ব্যাকৰণ চাব পাৰে। মই প্ৰথম সাহিত্য চৰ্চা কৰিবলৈ লোৱাৰ আগতে লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলী পঢ়িছিলোঁ। সাহিত্য চৰ্চা কৰা নতুন প্ৰজন্মই গভীৰ অধ্যয়ন কৰিলেহে সুফল লাভ কৰিব।

■ আপোনাৰ সাহিত্য সম্পৰ্কীয় নতুন পৰিকল্পনা কিবা আছে নেকি?

ঃ মোৰ ৰচনাৱলী দুটা খণ্ডত প্ৰকাশৰ বাবে সাজু হৈ উঠিছে। দুয়োটা খণ্ডত ৮০০কৈ পৃষ্ঠা থাকিব। প্ৰথম খণ্ডটো ভাষা বিষয়ক আৰু দ্বিতীয় খণ্ডত থাকিব গ্ৰন্থ আৰু প্ৰবন্ধ। তদুপৰি মই বাতৰিকাকতত নিয়মীয়াভাৱে ভাষা, ব্যাকৰণ আৰু সাহিত্য বিষয়ক প্ৰবন্ধ লিখি আছোঁ।

সাক্ষাৎগ্ৰহণ ঃ **কুমুদ তালুকদাৰ**

ফোন ঃ ৮৬৩৮৪-১৪৯৫৪

ফটো ঃ **দিব্যজ্যোতি ৰাভা**

সুৰকন্যা
দে ও ব ৰী য়া
দেওবাৰ, ১৭ নৱেম্বৰ ২০২৪

আমাৰ ঐতিহ্য

ঐতিহাসিক শিৱসাগৰ

শিৱসাগৰ চহৰ গুৱাহাটীৰ পৰা উত্তৰ-পূবে প্ৰায় ৩৬৯ কিঃমিঃ দূৰত্বত অৱস্থিত। অসমৰ এখন ঐতিহাসিক চহৰ। সুদীৰ্ঘ ৬০০ বছৰকাল অসমত শাসন কৰা আহোমসকলৰ ৰাজধানী আছিল শিৱসাগৰ। যাৰ পুৰণি নাম ৰংপুৰ বা কলংচুপাৰ। ইংৰাজ আগমনৰ পূৰ্বেই ৬০০ বছৰতকৈও অধিক সময় অসমত শাসন কৰা শক্তিশালী আহোমসকলৰ ৰাজধানী আছিল বৰ্তমানৰ শিৱসাগৰ। আহোম শাসনৰ প্ৰশাসনীয় কেন্দ্ৰ আছিল ৰংপুৰ নগৰ। কাৰেংঘৰক কেন্দ্ৰ কৰি চৌপাশৰ অঞ্চলটোৱে আছিল তাহানিৰ ৰংপুৰ। চাওলুং চুকাফাই ১২২৮ খ্ৰীষ্টাব্দত চীনদেশৰ দেহ'ঙ টাই আৰু চিংফৌ স্বায়ত্ত প্ৰান্তৰ (পূৰ্বৰ পূব মুং মাও) পৰা আহি পাটকাই পৰ্বতেদি অসমৰ তিনিচুকীয়া জিলাত প্ৰৱেশ কৰিছিল। চুকাফাই প্ৰথম ৰাজ্য স্থাপন কৰোঁতে এই ৰাজ্যক 'মুং ডুন চুনং খাম' বুলি কৈছিল। যাৰ অসমীয়া অৰ্থ হ'ল 'সোণোৱালী শইচৰ দেশ' (Country of Golden Crops) নাম দিছিল। ব্ৰহ্মপুত্ৰ উপত্যকাত অসম ৰাজ্যৰ প্ৰতিষ্ঠা কৰি ১২৫৩ চৰাইদেউত স্থায়ীকৈ ৰাজধানী পাতে। ৬০০ বছৰ শাসন কৰা আহোমসকল ইতিহাসৰ পাতত খুবেই বিৰল। আহোম শাসনকালত নিৰ্মাণ কৰা উল্লেখযোগ্য কীৰ্তিচিহ্ন হৈছে—

(১) ৰংঘৰ ঃ ৰংঘৰ হ'ল এটা দুমহলীয়া ঐতিহাসিক ইটাৰে নিৰ্মাণ কৰা গৃহ, যাক আহোম শাসনকালত পেভেলিয়ন (Pavilion) হিচাপে ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ পৰাই এসময়ত ৰাজপৰিয়াল আৰু বিশিষ্ট ৰাজবিষয়াসকলে বিশেষকৈ ৰঙালী বিহুৰ সময়ত অনুষ্ঠিত ম'হ যুঁজ, শেন যুঁজকে প্ৰমুখ্য কৰি অন্যান্য বিনোদনমূলক কাৰ্যসূচী উপভোগ কৰিছিল। ৰংঘৰ এছিয়াৰ মহাদেশৰ প্ৰথমটো এম্ফিথিয়েটাৰ (Amphitheatre)। এই ঘৰটো আহোম সাম্ৰাজ্যৰ অন্যতম ৰাজধানী ৰংপুৰৰ ৰূপহী পথাৰত প্ৰমত্ত সিংহৰ (চুচেনফা), ১৭৪৪-১৭৫১) শাসনকালত শিৱসাগৰৰ ওচৰৰ ৰংপুৰত নিৰ্মাণ কৰা পেভেলিয়ন ৰংঘৰ। স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ দিনত (১৬৯৬-১৭১৪) এই ভৱনটো প্ৰথমে বাঁহ আৰু কাঠেৰে নিৰ্মাণ কৰা হৈছিল। পৰৱৰ্তীকালত স্বৰ্গদেউ প্ৰমত্ত সিংহই ইটাৰে পুনৰ নিৰ্মাণ কৰে। ৰংঘৰ শিৱসাগৰ চহৰৰ মাজমজিয়াৰ পৰা ৩ কিঃমিঃ দূৰৈত আৰু অসম ট্ৰাংক ৰোডৰ কাষত অৱস্থিত এইখন ৰংপুৰ প্ৰাসাদৰ উত্তৰ-পূব দিশত অৱস্থিত, যিটো তলাতল ঘৰ আৰু কাৰেংঘৰক সামৰি লোৱা প্ৰায় পাঁচ মহলীয়া ৰজাঘৰীয়া ৰাজপ্ৰাসাদীয় অঞ্চল। ৰংঘৰক Colosseum of the East বুলিও কোৱা হয়।

(২) কাৰেংঘৰ বা গড়গাঁও ৰাজপ্ৰাসাদ ঃ শিৱসাগৰ চহৰৰ পৰা ১৫ কিঃমিঃ দূৰত্বত গড়গাঁৱত অৱস্থিত। কাৰেংঘৰ আহোম স্বৰ্গদেউসকলৰ দ্বাৰা নিৰ্মিত এটা পিৰামিড আকৃতিৰ ৰাজমহল। প্ৰথমে স্বৰ্গদেউ প্ৰমত্ত সিংহৰ ৰাজত্বকাল, ১৭৫১ খ্ৰীষ্টাব্দলৈকে ইয়াক কাঠেৰে নিৰ্মাণ কৰা হৈছিল। ১৭৫২ খ্ৰীষ্টাব্দত কাৰেং ঘৰটো বেয়াকৈ ক্ষতি হোৱাৰ ফলত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই (১৭৫১-১৭৬৯) দ্বাৰা বৰ্তমানৰ সাতমহলীয়া গঠন হিচাপে পুনৰ নিৰ্মাণ কৰা হয়। ই আহোম স্বৰ্গদেউসকলৰ দ্বাৰা নিৰ্মিত এটা ৰাজমহল। ঘৰটোৰ দুমহলা মাটিৰ তলত আৰু পাঁচমহলা ওপৰত। মিৰজমুলাই অসম আক্ৰমণ কৰিবলৈ আহোঁতে তেওঁৰ লগত অহা বৰকাকতীয়ে লিখিছিল— 'গড়গাঁৱৰ ৰাজকাৰেঙৰ নিচিনা কটকটীয়া, ধুনীয়া আৰু নানান কাৰুকাৰ্যৰে সুশোভিত ঘৰ গোটেই পৃথিৱীতে বিৰল।' প্ৰথমাৱস্থাত বাঁহ আৰু কাঠেৰে নিৰ্মাণ কৰা এটা প্ৰকাণ্ড চাংঘৰ আছিল। স্বৰ্গদেউ ৰুদ্ৰ সিংহই কাৰেংঘৰ নিৰ্মাণৰ দায়িত্ব লৈছিল যদিও বৰ্তমানৰ গাঁথনিটো ৰাজেশ্বৰ সিংহই (সুৰেম্ফা) নিৰ্মাণ কৰিছিল। ১৭৫১ খ্ৰীষ্টাব্দত কাৰেংঘৰ বা গড়গাঁও ৰাজপ্ৰাসাদ কাঠ আৰু শিলেৰে নিৰ্মাণ কৰা হৈছিল। ১৭৫১ চনত সুখৰুংফাৰ (স্বৰ্গদেউ ৰুদ্ৰ সিংহ) পুত্ৰ সুনেনফাই (স্বৰ্গদেউ প্ৰমত্ত সিংহ) গড়গাঁও প্ৰাসাদ আৰু তালৈ যোৱা শিলৰ দুৱাৰখনক আগুৰি প্ৰায় ৫ কিঃমিঃ দৈৰ্ঘ্যৰ ইটাৰ দেৱাল নিৰ্মাণ কৰে। কাৰেংঘৰটোৰ চৌদিশে এটা বহল আলি আৰু তাৰ কাষে কাষে তাঁতীৰ গড় সাজিছিল। গড়ৰ কিছু দূৰত্বত চৌদিশে হাতী আৰু মাউতে তল যোৱাকৈ দ' খাৱৈ খান্দিছিল। এই খালত ১২ মাহেই পানী আছিল। শত্ৰুপক্ষৰ পৰা ৰাজপ্ৰাসাদটো ৰক্ষা কৰাৰ বাবে এনে খাল খান্দি ৰাখিছিল।

(৩) তলাতল ঘৰ ঃ শিৱসাগৰ চহৰৰ পৰা ৩ কিঃমিঃ দূৰত্বত অৱস্থিত ৰংপুৰ নগৰত থকা তলাতল ঘৰটো আহোমৰ সামৰিক ঘাটি আছিল। আহোম যুগত নিৰ্মিত স্মৃতিসৌধৰ ভিতৰত ই আটাইতকৈ ডাঙৰ। বৰ্তমানৰ কেইবামহলীয়া তলাতল ঘৰটো স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ শাসনকালত ১৭৫১-১৭৬৯ চনৰ ভিতৰত সাজি উলিওৱা হৈছিল। তেৰেঁই মাটিৰ তলত তলাতল ঘৰ নামৰ তিনিটা মহল যোগ দিয়ে। ইয়াৰ স্থাপত্যৰ সমসাময়িক মোগলসকলৰ মিল আছে। তলাতল ঘৰত মাটিৰ তলত দুটা গোপন সুৰংগ আছিল। তাৰে এটাৰ দৈৰ্ঘ্য আছিল প্ৰায় ৩ কিঃমিঃ; যি দিখৌ নৈৰ লগত সংযোগী আছিল। প্ৰায় ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ আনটো সুৰংগই তলাতল ঘৰক গড়গাঁৱৰ কাৰেংঘৰৰ লগত সংযোগ কৰিছিল। শত্ৰুৰ আক্ৰমণত আত্মগোপন কৰাৰ বাবে এইকেইটা নিৰ্মাণ কৰা হৈছিল। প্ৰথমতে ইয়াক সেনা ঘাটি হিচাপে নিৰ্মাণ কৰা হৈছিল। ইয়াৰ দুটা সুৰংগ আৰু তিনিটা মাটিৰ তলৰ মহলা আছিল। স্বৰ্গদেউ ৰুদ্ৰ সিংহই ১৭০৭ খ্ৰীষ্টাব্দত (তেতিয়া টেংগাবাৰী নামেৰে জনাজাত) গড়গাঁৱৰ পৰা ৰংপুৰলৈ ৰাজধানী স্থানান্তৰ কৰিছিল। তেওঁ তলাতল ঘৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল যদিও প্ৰথম অৱস্থাত অৰ্ধস্থায়ী সামগ্ৰীৰে নিৰ্মাণ কৰা হৈছিল। তেওঁ বিশেষকৈ কোচবিহাৰৰ পৰা ঘনশ্যাম নামৰ এজন স্থাপতিবিদক আনিছিল, যাক তেওঁ মুখ্য স্থপতি হিচাপে নিযুক্তি দি নতুন ৰাজধানী চহৰ ৰংপুৰৰ নক্সাৰ দায়িত্ব অৰ্পণ কৰিছিল। পিছলৈ তেওঁৰ উত্তৰাধিকাৰী ৰজা ৰাজেশ্বৰ সিংহই ইটাৰ ডাঙৰ সংযোজনেৰে তলাতল ঘৰ নিৰ্মাণ কৰে। বৰ্তমান উন্মুক্ত ওপৰৰ মহলাটোত কাঠ আৰু অন্যান্য অস্থায়ী সামগ্ৰীৰে নিৰ্মিত পূৰ্বৰ কোঠা আছিল, যিবোৰ মোৱামৰীয়া বিদ্ৰোহ, বাৰ্মিজ

কন্দৰ্প বড়ো

আক্ৰমণৰ সময়ত আৰু ব্ৰিটিছে জুলাই দিছিল। ৰাজপ্ৰাসাদটো সাতমহলীয়া আছিল, ইয়াৰে চাৰিমহলীয়া ওপৰভাগত দেখা যায় আৰু বাকী তিনিমহলীয়া যিবোৰ মাটিৰ তলত আছিল সেইবোৰ ইংৰাজ শাসনকালত বন্ধ কৰি দিয়া হৈছিল। ইয়াত দুটা গোপন সুৰংগ আছে আৰু মাটিৰ তলত তিনিটা মহলা আছে, যিবোৰ আহোমসকলে যুদ্ধৰ সময়ত অন্য ৰাজ্য বা শত্ৰুৰ আক্ৰমণৰ সময়ত প্ৰস্থান পথ হিচাপে ব্যৱহাৰ কৰা হৈছিল। মাটিৰ মহলাটো ঘোঁৰাৰ গোহালি, ভঁৰাল ঘৰ আৰু চাকৰৰ কোঠা হিচাপে ব্যৱহাৰ কৰা হৈছিল। ৰজাঘৰীয়া কোঠাবোৰ ওপৰৰ মহলাত আছিল, যিবোৰ এতিয়া অৰ্ধস্থায়ী সামগ্ৰীৰে নিৰ্মিত হোৱাৰ বাবে বহু পৰিমাণে নষ্ট হৈ গৈছে। কাৰেঙৰ প্ৰৱেশদ্বাৰ আৰু ওপৰত কিছুমান জীয়াই থকা ফুলৰ ধ্বংসাৱশেষ মাটিৰ তলৰ তিনিটা মহলা যোগ কৰিলে। এইটো ইটা আৰু থলুৱা প্ৰকাৰৰ চিমেণ্ট অৰ্থাৎ বৰা চাউলৰ মিশ্ৰণ, চাউলৰ শস্যৰ আঠাযুক্ত জাত, হাঁহৰ কণী ইত্যাদিৰে তৈয়াৰ কৰা হয়। তলাতল ঘৰত দুটা গোপন সুৰংগ আছিল। প্ৰায় তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা তলাতল ঘৰক দিখৌ নদীৰ সৈতে সংযোগ কৰিছিল, আনহাতে আনটো গড়গাঁও প্ৰাসাদলৈ। কাৰেংঘৰটো মূলতঃ কাঠেৰে নিৰ্মাণ কৰা হৈছিল, যিটো সময়ৰ লগে লগে নষ্ট হৈ গৈছিল। ওপৰৰ মহলাত ৰাজকীয় কোঠাবোৰ আছিল, যাৰ ভিতৰত এতিয়া মাত্ৰ কেইটামান কোঠাহে বাকী আছে, উত্তৰ ডেউকাৰ এটা অষ্টভুজ কোঠাৰ ওচৰত যিটোৱে এসময়ত প্ৰাৰ্থনা ঘৰ হিচাপে কাম কৰিছিল। ছিৰিৰ উত্তৰ দিশত মন্ত্ৰণঘৰ আৰু তাৰ পূৰ্বে বৰচ'ৰা, যিটো ইয়াৰ ওচৰতে বাঁহ আৰু কাঠৰ খুঁটাৰে নিৰ্মিত আছিল, গান্ধিয়া বৰুৱাৰ অধীনত ঘণ্ডিয়া ভঁৰাল নামৰ ৰাজকীয় পুৰালেখ আছিল আৰু গান্ধিয়া ফুকন। পূবে ন্যায়-সোধা-ফুকন (মুখ্য ন্যায়াধীশৰ আদালত), দক্ষিণে ভিতৰুৱাল ফুকন (গোপন বিধানসভা)। দক্ষিণে এটা বিচ্ছিন্ন কোঠা থিয় হৈ আছে, যিটো ৰাণীয়ে বন্দিত্বৰ সময়ত ব্যৱহাৰ কৰিছিল বুলি ধাৰণা কৰা হৈছে। দক্ষিণ-পশ্চিমে আন এটা বিচ্ছিন্ন কোঠা থিয় হৈ আছে, সম্ভৱতঃ ৰাজকীয় পাকঘৰ। ৰাজপ্ৰাসাদৰ ভিতৰ আৰু বাহিৰৰ অংশত এসময়ত চিকাৰৰ দৃশ্য, ফুলৰ ছবি, দেৱ-দেৱীৰ ত্ৰাণ পোৱা সুন্দৰকৈ খোদিত কৰা হৈছিল। তলৰ মহলাত ঘোঁৰাৰ গোহালি ৰংপুৰ প্ৰাসাদটো এসময়ত ইটাৰ দুৰ্গ আৰু পানীৰে ভৰা বান্ধযুক্ত মাটিৰ গড় আগুৰি আছিল।

ফোন ঃ ৮৮৭৬০-৪১৩৮৬

অনুবাদ গল্প

বিবাহ বিচ্ছেদ

মূল ঃ আমিৰ এ কাদেৰ
অনুবাদ ঃ বেদান্তবিকাশ শৰ্মা

নিশা ঘৰ পাওঁতে মোৰ কিছু পলম হৈছিল। পত্নীৰ ফালে নোচোৱাকৈ অইনদিনাৰ দৰেই মুখৰ ভিতৰতে ক'লোঁ—

— ৰাস্তাত বহুত জাম পালো।

পত্নীয়ে মুখেৰে একো নামাতি ৰাতিৰ আহাৰ পৰিৱেশন কৰাত লাগি গ'ল। ভাতৰ টেবুলত বহি তেওঁৰ হাতত ধৰি ক'লোঁ—

— তোমাক মোৰ কথা এটা ক'বলগীয়া আছে।

তেওঁ মুখেৰে একো নামাতি তলমূৰকৈ খোৱাত ব্যস্ত হৈ থকা দেখুৱালে। কথা এটা ক'বলগীয়া আছিল বুলি ক'লো যদিও সেই মুহূৰ্তত মুখৰপৰা মোৰ কোনো কথা ওলাই নাহিল। বুকুখনত হয়তো কিহবাই হেঁচা মাৰি ধৰিছিল। কিন্তু কথাটো মই যেনে-তেনে ক'বই লাগিব।

— মই বিবাহ বিচ্ছেদ বিচাৰোঁ।

কিছু সাহস গোটাই শান্তভাৱে কথাটো উত্থাপন কৰিলোঁ।

মোৰ কথাত তেওঁ উচাপ খাই উঠিব বুলি ভাবিছিলো যদিও তেনে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে বৰঞ্চ মোক শান্তভাৱে সুধিলে—

— কিয়?

প্ৰশ্নটো মই এৰাই চলিলোঁ। এই কথাত তেওঁৰ এইবাৰ খং উঠিল আৰু ভাতৰ কাঁহীখন জোৰেৰে ঠেলা মাৰি দি মোক চিঞৰি উঠিল—

— তুমি মানুহ নহয়!

সেই নিশা আমি ইজনে সিজনৰ লগত কোনো কথা নাপাতিলোঁ। তেওঁ কান্দিছিল। পিছত জানি বিচাৰিলে—

—আমাৰ সংসাৰখনত আচলতে কি হৈছে, যাৰ বাবে বিবাহ বিচ্ছেদৰ দৰে সিদ্ধান্ত এটা ল'বলগীয়া হ'ল।

কিন্তু মই তেওঁক সন্তোষজনক উত্তৰ দিব নোৱাৰিলোঁ, কাৰণ তেওঁ মোৰ হৃদয়খন লিপিকাৰ ওচৰত হেৰুৱাই পেলাইছিল। লিপিকাৰ প্ৰেমে মোক পত্নীক ভাল পোৱাৰ পৰা আঁতৰাই ৰাখিলে। এতিয়া মই মাত্ৰ তেওঁৰ প্ৰতি কৰুণাহে দেখুৱাইছোঁ!

গভীৰ অপৰাধবোধেৰে মই বিবাহ বিচ্ছেদৰ চুক্তি এখনৰ খচৰা প্ৰস্তুত কৰিলোঁ, য'ত লিখা আছিল যে পত্নীয়ে আমাৰ ঘৰ, আমাৰ গাড়ী, আৰু মোৰ কোম্পানীৰ ৩০ শতাংশ অংশীদাৰিত্ব লাভ কৰিব। তেওঁ তালৈ এবাৰ চকু ফুৰালে আৰু তাৰপিছত টুকুৰাটুকুৰকৈ ফালি পেলালে।

জীৱনৰ দহ বছৰ মোৰ লগত কটোৱা মানুহজনী অচিনাকি মানুহ হৈপৰিছিল। ইমানদিনে তেওঁ ঘৰ-সংসাৰ চলোৱাৰ নামত কৰা সময়, সম্পদ আৰু শক্তিৰ অপচয়ৰ বাবে মোৰ দুখ লাগিল যদিও মই ইতিমধ্যে কৰা কামখিনি ঘূৰাই ল'ব নোৱাৰোঁ, কাৰণ মই লিপিকাক গভীৰভাৱে ভাল পাই পেলাইছিলোঁ।

(২)

অৱশেষত তেওঁ মোৰ সন্মুখত চিঞৰি চিঞৰি কান্দিলে, যিটোৰ বাবে মই সাজু হৈ আছিলো। মোৰ বাবে তেওঁৰ কান্দোন আচলতে একপ্ৰকাৰৰ মুক্তি আছিল। কেইবা সপ্তাহ ধৰি মোক আকৰ্ষিত কৰি ৰখা বিবাহ বিচ্ছেদৰ ধাৰণাটো এতিয়া যেন অধিক দৃঢ় আৰু স্পষ্ট হৈ পৰিল।

পিছদিনা বহুত দেৰিকৈ ঘৰলৈ উভতি আহি তেওঁক টেবুলত কিবা এটা লিখি থকা দেখিলোঁ। ৰাতিৰ আহাৰ নাখালোঁ, পোনে পোনে শুই গ'লোঁ আৰু লিপিকাৰ সৈতে কটোৱা পৰিঘটনাপূৰ্ণ দিনটোৰ পিছত ভাগৰি পৰিলোঁ। কেতিয়া টোপনি আহিল ক'বই নোৱাৰিলোঁ। মাজনিশা সাৰ পাই দেখিলোঁ তেওঁ তেতিয়াও টেবুলত কিবা লিখি আছিল। মই একো গুৰুত্ব নিদি আকৌ শুই পৰিলোঁ।

ৰাতিপুৱা তেওঁ ওৰে নিশা লিখা বিবাহ বিচ্ছেদৰ চৰ্তবোৰ মোৰ সন্মুখত দাঙি ধৰিলে।তাত তেওঁ মোৰ পৰা একো বিচৰা নাছিল যদিও বিবাহ বিচ্ছেদৰ আগতে এমাহৰ জাননীৰ প্ৰয়োজন আছিল বুলি উল্লেখ কৰিছিল। তেওঁ অনুৰোধ কৰিলে—

—আগন্তুক এমাহত আমি দুয়ো যিমান পাৰো স্বাভাৱিক জীৱন যাপন কৰিবলৈ চেষ্টা কৰিম। এয়া মোৰ তোমাৰ ওচৰত শেষ ইচ্ছা। এই সিদ্ধান্তটো লোৱা হ'ল কেৱল আমাৰ একমাত্ৰ সন্তানটোৰ বাবে। কাৰণ এমাহৰ পাছত ল'ৰাটোৰ পৰীক্ষা হ'ব আৰু সি যাতে আমাৰ ভগ্ন সংসাৰখনৰ বাবে বিচলিত নহয়।

এইবোৰ সকলো চৰ্ত মই মানি লৈছিলো। কিন্তু তেওঁ যেন আৰু কিবা এটা কথা ক'বলৈ বিচাৰি আছিল। তেওঁ মোক মনত পেলাবলৈ ক'লে যে মই কেনেকৈ তেওঁক আমাৰ ফুলশস্যাৰ নিশা পৰিয়ালৰ মানুহে আগবঢ়াই দিয়াৰ পিছত সকলোৰে অনুৰোধত কোলাত তুলি ফুলেৰে সজোৱা কোঠাটোলৈ লৈ গৈছিলো। তেওঁ অনুৰোধ কৰিলে—

—এই মাহটোৰ বাবে প্ৰতিদিনে তুমি আমাৰ শোৱাকোঠাৰ পৰা উলিয়াই আনি সমুখৰ দুৱাৰলৈ লৈ যোৱা যেন।

মই ভাবিলো তেওঁপাগল হৈছে। তথাপিও আমাৰ একেলগে থকা শেষ দিনকেইটাত যাতে কোনো আউল নালাগে তাৰ বাবে মই তেওঁৰ অদ্ভুত অনুৰোধটো গ্ৰহণ কৰিলোঁ।

মই লিপিকাক মোৰপত্নীৰ বিবাহ বিচ্ছেদৰ চৰ্তৰ কথাবোৰ ক'লোঁ। তাই জোৰেৰে হাঁহিলে আৰু এইবোৰ অৰ্থহীন কথা বুলি ক'লে। তাই আকৌ ক'লে—

তোমাৰ পত্নীয়ে যি কৌশলেই প্ৰয়োগ নকৰক কিয়, তেওঁ বিবাহ বিচ্ছেদৰ সন্মুখীন হ'বই লাগিব।

মোৰ বিবাহ বিচ্ছেদৰ উদ্দেশ্য স্পষ্টভাৱে প্ৰকাশ পোৱাৰ পৰা মোৰ আৰু মোৰ পত্নীৰ কোনো ধৰণৰ শাৰীৰিক সম্পৰ্ক হোৱা নাছিল।

মইপত্নীৰ চৰ্ত মতে প্ৰতিদিনে তেওঁক আমাৰ শোৱাকোঠাৰ পৰা উলিয়াই আনি সমুখৰ দুৱাৰলৈ লৈ গৈছিলো। ফুলশস্যাৰ নিশা পত্নীক কোলাত তুলি আনোতে যি উত্তেজনা অনুভৱ কৰিছিলো এতিয়া সেই উত্তেজনা মুঠেও নাছিল। কেৱল এটা কৰ্তব্য পালন কৰা হৈছিল। আমাৰ ল'ৰাটোৱে দৃশ্যটো চাই আমাৰ পিছফালে হাত চাপৰি বজাবলৈ ধৰিলে।

— দেউতাই মাক কোলাত লৈ গৈছে, বঢ়িয়া বঢ়িয়া।

(৩)

তাৰ নিষ্পাপ প্ৰতিক্ৰিয়াত মোৰ মনত ভীষণ কষ্ট অনুভৱ হৈছিল। শোৱাকোঠাৰ পৰা বহা কোঠালৈকে, তাৰপিছত দুৱাৰখনলৈকে তেওঁক কোলাত লৈ দহ মিটাৰ দাঙি আনিলো। তেওঁ চকু দুটা মুদি মৃদুভাৱে ক'লে—

—আমাৰ ল'ৰাক বিবাহ বিচ্ছেদৰ কথা নক'বা।

কিছু বিচলিত হৈ নকওঁ বুলি ক'লোঁ। তেওঁক দুৱাৰৰ বাহিৰত থৈ মই অকলে গাড়ী চলাই অফিচলৈ গ'লোঁ।

দ্বিতীয় দিনা আমি দুয়ো বহুত সহজে অভিনয় কৰিলোঁ। তাই মোৰ বুকুত হেলান দিলে। তাইৰ ব্লাউজৰ সুগন্ধি এটা পালোঁ। মই বুজিলোঁ যে মানুহজনীক মই বহুদিনৰ পৰা ভালদৰে চোৱাই নাছিলো। মই বুজিলোঁ তেওঁ বিবাহ বিচ্ছেদৰ বাবে সম্পূৰ্ণ প্ৰস্তুত।

মই লক্ষ্য কৰিলো তেওঁৰ মুখত মিহি বয়সৰ ৰেখা ফুটি উঠিছিল আৰু ক'লা চুলিটাৰি ধূসৰ হৈ পৰিছিল! আমাৰ বিবাহ বিচ্ছেদৰ বিষয়টোৱে তেওঁৰ মানসিক অৱস্থাৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছিল। এক মিনিটৰ বাবে মই ভাবিলোঁ— মই আচলতে তেওঁৰ লগত এইবোৰ কি কৰি আছো!

চতুৰ্থ দিনা তেওঁক কোলাত তুলি লওঁতে নিষ্ঠতাৰ ভাব এটা ঘূৰি অহা যেন লাগিল। এইগৰাকীয়েই আছিল সেই মহিলাগৰাকী, যিয়ে নিজৰ জীৱনৰ দহ বছৰ মোক দিছিল।পঞ্চম আৰু ষষ্ঠ দিনটোত মই বুজিলোঁ যে আমাৰ অন্তৰংগতাবোধ আকৌ বাঢ়িছে। এই কথা মই লিপিকাক কোৱা নাছিলো। দিনবোৰ বাগৰি যোৱাৰ লগে লগে তেওঁক কঢ়িয়াই নিয়াটো মোৰ বাবে সহজ হৈ পৰিল। হয়তো দৈনন্দিন কৰ্মব্যস্ততাই মোক শক্তিশালী কৰি তুলিছিল।

এদিন ৰাতিপুৱা কি পিন্ধিব সেইটো ঠিক কৰিব পৰা নাছিল। বহু কেইযোৰ পোচাক পিন্ধিবলৈ চেষ্টা কৰিছিল যদিও উপযুক্ত পোছাক বিচাৰি নাপালে। তাৰ পাছত তাই হুমুনিয়াহ কাঢ়িলে আৰু অন্যমনস্ক হৈ ক'লে—

— মোৰ সকলো পোছাক ডাঙৰ হৈ গ'ল।

মই হঠাতে বুজিলোঁ— আচলতে তেওঁ দিনে দিনে ক্ষীণায় যোৱা বাবেই অধিক সহজে কোলাত নিব পাৰিছো। কথাটো বুজি পোৱাত ক'ব নোৱৰাকৈ মোৰ অন্তৰত তীব্ৰ জোকাৰণি এটাৰ সৃষ্টি হ'ল। ইমানদিনে বহুত বেদনা আৰু তিক্ততা তেওঁ হৃদয়ত পুহি ৰাখিছিল যেন অনুভৱ হল। অৱচেতনভাৱে মই হাতখন আগবঢ়াই তেওঁৰ মূৰটো চুই চালোঁ।

আমাৰ ল'ৰাটো সেই মুহূৰ্ততে সোমাই আহি ক'লে—

—দেউতা, মাক কোঁচত তুলি নিবৰ সময় হ'ল।

এইকেইদিন তাৰ বাবে মই তাৰ মাকক কঢ়িয়াই নিয়াটো তাৰ জীৱনৰ এক অপৰিহাৰ্য অংশ হৈ পৰিল। পত্নীয়ে তাক আমাৰ ওচৰলৈ আহিবলৈ ইংগিত দি জোৰেৰে সাবটি ধৰিলে। এই শেষ মুহূৰ্তত মোৰ মন সলনি হ'ব পাৰে বুলি ভয় খাই মই মুখখন ঘূৰাই দিলোঁ। তাৰপিছত মই পত্নীক কোলাত লৈ শোৱাকোঠাৰ পৰা বহা কোঠালৈকে আৰু শেষত দুৱাৰখনলৈকে কোলাত লৈ গৈ থাকিলো। তেওঁ শেঁতা হাতখনেৰে মোৰ ডিঙিত কোমল আৰু মৰমেৰে সাবটি ধৰিলে। ময়ো তেওঁৰ শৰীৰটো জোৰেৰে সাবটি ধৰিলোঁ, ঠিক আমাৰ ফুলসশ্যাৰ নিশাটোৰ দৰে।

(৪)

তেওঁৰ ক্ষীণায়-শুকাই যোৱা শৰীৰটোৱে মোৰ মনত গভীৰ আঘাত দিবলৈ ধৰিলে। শেষৰ দিনটোত যেতিয়া মই তেওঁক কোলাত তুলিলোঁ, তেতিয়া মই প্ৰায় এখোজো লৰচৰ কৰিব নোৱৰাৰ দৰে হ'লো। সেই সময়ত আমাৰ ল'ৰাটো স্কুললৈ গৈছিল। মই তাইক জোৰেৰে সাবটি ধৰি ক'লোঁ,

—আমাৰ জীৱনত যে পৰস্পৰৰ নিষ্ঠতাৰ অভাৱ সেইটো মই ইমান দিনে লক্ষ্যই কৰা নাছিলোঁ।

পত্নীক দুৱাৰমুখলৈ কোলাত তুলি লাহেকৈ নমাই দিলোঁ। তাৰপিছত গাড়ী চলাই অফিচলৈ বুলি গুচি গ'লোঁ। বাটত লিপিকাক লগ ধৰিবলৈ তাইৰ ঘৰলৈ গ'লো। গাড়ীখন লক নকৰাকৈ দ্ৰুতগতিত জঁপিয়াই ওলাই আহিলোঁ। পলম হ'লে মোৰ মন সলনি হ'ব বুলি ভয় লাগিছিল। মই ওপৰলৈ উঠি আহিলোঁ। লিপিকাক দেখাৰ লগে লগে ক'লোঁ— মোক ক্ষমা কৰিবা লিপিকা, মইপত্নীৰ সৈতে বিবাহ বিচ্ছেদ বাতিল কৰিছোঁ।

তাই আচৰিত হৈ মোৰ ফালে চালে আৰু কপালখন চুই চাই কলে—

—তোমাৰ জ্বৰ হৈছে নেকি?

মই তাইৰ হাতখন মোৰ মূৰৰ পৰা আঁতৰাই দি ক'লো—

—ক্ষমা কৰিবা লিপিকা, মই বিবাহ বিচ্ছেদ নিবিচাৰোঁ। আমাৰ বৈবাহিক জীৱনটো মাজতে বিৰক্তিকৰ হৈ পৰিছিল। হয়তো আমি দুয়ো আমাৰ জীৱনৰ বাটত ইজনে সিজনক বুজাবুজিৰ মূল্য নিদিলোঁ। ইজনে সিজনক ভাল পোৱাৰ সুযোগেই নল'লোঁ। এতিয়া বুজিলোঁ— যিহেতু মই তেওঁক মোৰ নিজৰ কৰি বিয়া কৰাই লৈ আহিছিলো, গতিকে মৃত্যুৱে আমাক পৃথক নকৰালৈকে মই তেওঁক ধৰি ৰাখিম।

লিপিকা যেন হঠাতে সাৰপালে। তাই মোক জোৰেৰে চৰ মাৰিলে আৰু দুৱাৰখন জোকাৰি জোকাৰি কান্দি উঠিল। মই কোনো প্ৰত্যুত্তৰ নিদি গাড়ী চলাই ঘৰলৈ উভতি আহিলো। বাটত থকা ফুলৰ দোকানখনত মই মোৰ পত্নীৰ বাবে কপৌ ফুলৰ থোপা এটাৰ অৰ্ডাৰ দিলোঁ। বিক্ৰী কৰা ছোৱালীজনীয়ে ভালদৰে ফুলৰ থোপাটো পেকিং কৰি কাৰ্ডখনত কি লিখিম বুলি সুধিলে। মই হাঁহি এটা মাৰি লিখিব দিলো—

— 'মৃত্যুৱে আমাক পৃথক নকৰালৈকে মই প্ৰতিদিনে ৰাতিপুৱাই তোমাক কোলাত লৈ যাম'।

সেইদিনা ঘৰ পাই, হাতত ফুলৰ থোপা, মুখত হাঁহি, গেট খুলি দৌৰ মাৰিলো পত্নীক বিবাহ বিচ্ছেদ বাতিল কৰা সুখবৰটো দিবলৈ। দুৱাৰখন লাহেকৈ ঠেলি ভিতৰ সোমাই দেখো পত্নী বিছনাত শান্তিৰে শুই আছে। কপালত হাত দি চালো— হিমশীতল চেচাঁ। অভিমান নথকা নিথৰ দেহটো যেন মোৰ অপেক্ষাত ৰৈ আছিল। আচলতে মোৰ পত্নীয়ে মাহৰ পিছত মাহ ধৰি কেন্সাৰৰ সৈতে যুঁজি আছিল আৰু মই লিপিকাৰ লগত ইমানেই ব্যস্ত আছিলো যে পত্নীৰ দুৰাৰোগ্যৰ বিষয়ে জানিও আঁতৰি আছিলো। তেওঁ জানিছিল যে তেওঁৰ সোনকালে মৃত্যু হ'ব। সেয়ে বিবাহ বিচ্ছেদে আমাৰ সন্তানটোৰ ওপৰত যাতে নেতিবাচক প্ৰভাৱ নেপেলায় তাৰ বাবে তেওঁ সচেতন হৈ আছিল।

তেওঁৰ মৃত্যুৱে আমাৰ ল'ৰাৰ দৃষ্টিত মই এজন মৰমিয়াল স্বামী বুলি প্ৰতিষ্ঠা কৰি গ'ল।

ফোন ঃ ৯৮৬৪০৬১৭৭৮

কেৰ চলাই স্বাৱলম্বিতাৰ পথ দেখুওৱা যোৰহাটৰ উচ্চ শিক্ষিত যুৱতী

দেৱাশ্ৰী-প্ৰিয়াকনাং

আধুনিকতাৰ ধামখুমীয়াত বৰ্তমান সময়ত একাংশ যুৱক-যুৱতী ম'বাইলত ৰীল বনোৱাত ব্যস্ত হৈ থকাৰ বিপৰীতে একাংশ উচ্চ শিক্ষিত যুৱতীয়ে দেখুৱাইছে স্বাৱলম্বিতাৰ পথ নিদৰ্শন। তেনে দুগৰাকী যুৱতী হ'ল যোৰহাট মালৈ আলি বাইপাছৰ দেৱাশ্ৰী বৰুৱা আৰু ন-আলি

সুকন্যা
দেওবৰীয়া
দেওবাৰ, ১৭ নৱেম্বৰ ২০২৪

নলবাৰী-বাক্সাৰ সীমামূৰীয়া বৰঝাৰৰ যুৱতীৰ অনন্য আদৰ্শ

প্ৰণামী হালৈৰ স্বাৱলম্বনৰ সংগ্ৰামী যাত্ৰা

উৎপল কুমাৰ কলিতা

'জীৱন মানেই অভিজ্ঞতাৰ উকি মাৰি নিৰন্তন গতিৰে আগবঢ়া এক উজনিমুৱা যাত্ৰা। কিমান সমৃদ্ধ হ'ব পাৰে এই যাত্ৰা, যি যাত্ৰাই আমাক দি যাব পাৰে এটোপাল ৰুদ্ৰ তমসা কিম্বা বুকুভৰা চন্দ্ৰমল্লিকা— জীৱন সম্পৰ্কে এই গভীৰ অনুভৱ লৈ আগবাঢ়িছে ছোৱালীজনী। এয়া প্ৰণামীৰ কথা। বাক্সা আৰু নলবাৰী জিলাৰ সীমাৰ বৰঝাৰৰ যুৱতী প্ৰণামী হালৈ। প্ৰণামীয়ে জীৱন আৰম্ভ কৰিছিল শূন্যৰে। কিন্তু বুকুত অসীম সাহস বান্ধি স্ক'লাৰশিপৰ চাৰি হাজাৰ টকাৰে সৰু চাহ দোকান এখন দি সপোন খেদা ছোৱালীজনী আজি সফলতাৰ সোপানত আগবাঢ়িছে দুৰন্ত গতিৰে। প্ৰণামীয়ে গঢ়ি তুলিছে এটাৰ পাছত এটা ব্যৱসায়িক উদ্যোগ।

এটি খাটিখোৱা দৰিদ্ৰ পৰিয়ালৰ সন্তান প্ৰণামী। পিতৃ চন্দ্ৰ হালৈয়ে এখন টেম্প' চলোৱাৰ লগতে সূত-ঋণ লৈ দিছিল এখন খেলৰ সামগ্ৰী বিক্ৰীৰ দোকান। কিন্তু ক'ৰোনাসৃষ্ট ভয়াৱহ পৰিস্থিতিৰ মাজত দোকানখন বন্ধ হৈ পৰিল। সমান্তৰালভাৱে শাৰীৰিকভাৱে অসুস্থ হৈ পৰিল চন্দ্ৰ হালৈ। পৰিয়ালটোৰ মূৰত যেন আকাশী সৰগ ভাঙি পৰিল। পেটৰ ভাতমুঠিও নিমিলা হ'ল। প্ৰণামী তেতিয়া ছাত্ৰী। বয়স ১৮ বছৰ। বৰমা ছানৰাইজ একাডেমীৰ পৰা ৮৬ শতাংশ নম্বৰ লৈ উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈছে। পৰিয়ালৰ বোজা মূৰ পাতি লৈ তেতিয়া বৰঝাৰৰ ঘৰৰ সন্মুখতে মাতৃ লক্ষ্মী হালৈৰ সহযোগত আৰম্ভ কৰিলে সাধাৰণ সৰু চাহ দোকান। সেই সময়তে মেধা জলপানিৰ ৫৪ হাজাৰ টকা লাভ কৰিলে। তাৰে ৫০ হাজাৰ খৰচ হ'ল পিতৃৰ চিকিৎসাত। হাতত থকা চাৰি হাজাৰ টকাৰে প্ৰণামীয়ে আৰম্ভ কৰিলে সপোনৰ যাত্ৰা। আৰম্ভ কৰিলে 'আৰণ্যক ফুড প্ৰডাক্ট' নামৰ এটা আচাৰ উদ্যোগ। ইউকো আৰচিটি আৰু কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ পৰা প্ৰশিক্ষণ লাভ কৰি 'আৰণ্যক ফুড প্ৰডাক্ট'ৰ যাত্ৰা আৰম্ভ কৰা প্ৰণামীয়ে সম্পূৰ্ণ জৈৱিক পদ্ধতিত ৰসায়নমুক্ত, ঔষধি আৰু স্বাস্থ্যসন্মত আচাৰ প্ৰস্তুতত গুৰুত্ব আৰোপ কৰিলে। ইয়াত ব্যৱহাৰ কৰা হয় সম্পূৰ্ণ থলুৱা প্ৰযুক্তি। উৎপাদিত বস্তুবোৰ প্ৰস্তুত কৰাৰ বাবে প্ৰণামীয়ে স্থানীয় কৃষকৰ পৰা জৈৱিকভাৱে প্ৰস্তুত কৰা কেঁচা সামগ্ৰীসমূহ ক্ৰয় কৰে, যাতে ইয়াৰ পৰা স্থানীয় কৃষকসকলো উপকৃত হয় আৰু উৎপাদিত সামগ্ৰীৰ এখন বজাৰ লাভ কৰে। বগৰী, জলফাই, বাঁহগজ, ঔটেঙা, আমৰা, নেমু, আম আদি বিধে বিধে আচাৰ প্ৰস্তুত কৰা প্ৰণামীৰ আৰণ্যক ফুড প্ৰডাক্টছ আজি পৰিণত হৈছে এটা উদ্যোগত। প্ৰণামীৰ এশ শতাংশ ৰসায়নমুক্ত আৰু থলুৱা পদ্ধতিৰে প্ৰস্তুত কৰা এই আচাৰসমূহ অসমৰ বিভিন্ন ঠাইত ভাল বজাৰ লাভ কৰাৰ লগতে পঞ্জাব, উত্তৰ প্ৰদেশ, জম্মু-কাশ্মীৰ, দিল্লী, হাৰিয়ানা আদি ৰাজ্যতো বিক্ৰী হৈ আছে। তেওঁ কুৰিয়াৰযোগে সংশ্লিষ্ট বজাৰসমূহলৈ আচাৰ প্ৰেৰণ কৰি আহিছে। আনহাতে, বিভিন্ন স্থানত অনুষ্ঠিত বাণিজ্য মেলাত বিপণী পাতিও প্ৰণামীয়ে আচাৰৰ ভাল বজাৰ লাভ কৰিছে।

সপোন খেদা উদ্যমী ছোৱালীজনীৰ উদ্যমী যাত্ৰা ইয়াতে শেষ হোৱা নাই। চাহ দোকান, আচাৰ উদ্যোগৰ পাছত প্ৰাকৃতিকভাৱে চাবোন আৰু ছেম্পু তৈয়াৰ কৰা এক ক্ষুদ্ৰ উদ্যোগো গঢ়ি তুলিছে। এই প্ৰাকৃতিক চাবোনবোৰৰ বাবে গোলাপ, নিম, হালধি, পকা অমিতা, নেমু, মৌ, গাখীৰ, তিয়ঁহ, বেচন আদি ব্যৱহাৰ কৰা হয়। এই সম্পৰ্কত প্ৰণামীয়ে প্ৰকাশ কৰা মতে 'মানুহৰ সু-স্বাস্থ্যৰ আধাৰ হ'ল প্ৰকৃতিৰ পৰা আহৰণ কৰা সম্পদ। কিন্তু বৰ্তমান সময়ত বজাৰত ৰাসায়নিক মুক্ত খাদ্য, চাবোন, ছেম্পু আদি ভৰি পৰিছে। যিবোৰে মানৱ স্বাস্থ্যৰ যথেষ্ট ক্ষতিসাধন কৰে। সেয়ে মই মানুহক প্ৰাকৃতিক আচাৰ, চাবোন, ছেম্পু আদি দিবলৈ প্ৰয়াস কৰিছোঁ।' আনহাতে, উৎপাদিত সামগ্ৰীৰ বজাৰ সম্পৰ্কত প্ৰণামীয়ে কয়— 'যদি উৎপাদিত সামগ্ৰী স্বাস্থ্যসন্মত আৰু গুণগত মান উন্নত হয়, তেনে সামগ্ৰীয়ে বজাৰ লাভ কৰিবই। বজাৰ মই ভালেই পাইছোঁ।' উল্লেখ্য চাৰি হাজাৰ টকাৰে আৰম্ভ কৰা আৰণ্যক ফুড প্ৰডাক্ট আজি পৰিণত হৈছে কেইবালাখটকীয়া উদ্যোগলৈ।

প্ৰণামীয়ে ইয়াৰ লগতে গাঁৱৰ কেইগৰাকীমান মহিলাকো সহযোগী কৰি লৈ সংস্থাপনৰ বাট দেখুৱাইছে। প্ৰণামীৰ মতে নিজে কিবা এটা সফলতাৰে কৰাৰ লগতে আনকো আগুৱাই নিয়াৰ প্ৰয়াস কৰিব লাগে। সেয়ে মোৰ অধিক লোকক স্বাৱলম্বী কৰাৰ প্ৰয়াস অব্যাহত থাকিব। প্ৰণামীয়ে ইয়াৰ লগতে সৰিয়হ তেল, মছলা, লাড়ু-পিঠা প্ৰস্তুত কৰা কাম হাতত লয়। এইবোৰ পেকেজিং কৰি স্থানীয়ভাৱে বিক্ৰী কৰাৰ লগতে অসমৰ বিভিন্ন স্থানলৈ প্ৰেৰণ কৰা হয়।

২০২৩ চনৰ মে' মাহত প্ৰণামীয়ে আৰম্ভ কৰে পেপাৰ প্লেট, ডিছপজেবল গিলাচ নিৰ্মাণৰ ক্ষুদ্ৰ উদ্যোগ এটি। এই উদ্যোগত তেওঁ কাম কৰাৰ সুবিধা দিয়ে স্থানীয় অভাৱগ্ৰস্ত মহিলা কিছুমানক। শেহতীয়াকৈ তেওঁ চাৰি মাহ পূৰ্বে আৰম্ভ কৰে আৰণ্যক বনৰীয়া নামেৰে আন এক প্ৰতিষ্ঠান। বিশেষকৈ গ্ৰামাঞ্চলত থকা কাঠৰ ভাস্কৰ্য শিল্পীসকলে প্ৰস্তুত কৰা গঁড়, হাতী, হৰিণা, চৰাই, কাছ আদিৰ ভাস্কৰ্যসমূহৰ লগতে হাতেৰে নিৰ্মিত বিভিন্ন গৃহসজ্জাৰ সামগ্ৰীৰ বিপণন প্ৰতিষ্ঠান সপোন বনৰীয়া। তেওঁৰ প্ৰতিষ্ঠানৰ এই সামগ্ৰীসমূহে অসমৰ বাহিৰৰ পৰা অহা বহু পৰ্যটককো আকৰ্ষণ কৰিছে। এই বাঁহ, বেত, কাঠৰ ভাস্কৰ্যসমূহে চুবুৰীয়া দেশ ভূটানৰো বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পৰা এখন বজাৰ লাভ কৰিছে স্থানীয়ভাৱে এইবোৰ নিৰ্মাণ কৰা হস্তশিল্পীসকলেও। এই বছৰ প্ৰণামীয়ে আৰম্ভ কৰিছে আন এক ব্যৱসায়। শাৰদীয় উৎসৱৰ বতৰত উৎসৱথলীত লক্ষ্মী হোটেল নামৰ এক ভ্ৰাম্যমাণ খাদ্য বিক্ৰী প্ৰতিষ্ঠান তেওঁ চলাই সফল হৈছে। বিশেষকৈ এই প্ৰতিষ্ঠানত ৯৯ টকাত কোমোৰাৰে ৰন্ধা হাঁহৰ মাংস আৰু ৰুটী খাবলৈ গ্ৰাহকৰ ভিৰ লগা দেখা যায়। এনেদৰে প্ৰণামীয়ে অব্যাহত ৰাখিছে তেওঁৰ যাত্ৰা। পাছলৈ ঘূৰি চাবৰ সময় নাই, মাথোঁ অগ্ৰগামী গতি সন্মুখলৈ। প্ৰণামীয়ে ইতিমধ্যে তেওঁৰ আদৰ্শ, কৰ্মনিষ্ঠাৰ বাবে ৰ'টাৰী ক্লাব দিছপুৰ, উপেন মিনা ফাউণ্ডেচন আদি সংগঠনৰ দ্বাৰা সম্বৰ্ধিত হৈছে। প্ৰণামীয়ে কয়— মোৰ ইচ্ছা আৰণ্যকৰ কৰ্ম আৰু বিস্তৃত কৰাৰ। আৰণ্যকৰ জৰিয়তে আৰু কিছু মানুহক সংস্থাপন দিয়া। মই আৰম্ভ কৰা আৰণ্যক ফুড প্ৰডাক্টৰ হাঁহি কেৱল এটা পৰিয়ালৰ হাঁহি নহৈ আৰু দহটা পৰিয়ালৰ হাঁহি হৈ পৰক।' শেষত প্ৰণামীৰ ভাষাৰে কওঁ— 'হাঁহিবলৈ বুকুত কঢ়িয়াব লাগে শ্যামলী সপোনৰ বৰপেৰা'। সপোন খেদা ছোৱালীজনীৰ সপোনবোৰ বাস্তৱ হওক, আমাৰো থাকিল শুভকামনা।

ফোন ঃ ৯৩৯৪৯-২২৫২৭

শব্দ চয়ন ঃ ১৬



থিয়কৈ ঃ
১। বিষ্ণু আৰু শিৱ (৪)
২। জ্যামাতিত ধৰা তলৰ লগত সমকোণ কৰি থিয় হৈ থকা ৰেখা (২)
৩। ঘৰ সাধাৰণ কাম (২)
৪। উজু, সহজ (৩)
৬। শোভন গতি (৪)
৭। মহাদেৱ, ভোলানাথ (২)
৯। হৃদয়, অন্তৰ (২)
১০। পানীত থাকি মাছ ধৰি খোৱা এবিধ প্ৰাণী (২)
১১। অণ্ডা, ডিম্ব (২)
১২। ইফাল-সিফাল কৰা (৪)
১৩। সংজ্ঞা, অভিধা (২)
১৪। শক্তিশালী পুৰুষ (২)
১৬। বহুত পাচলি মিলাই বনোৱা আঞ্জা, লাৱৰা (৪)
১৭। কাজিয়া, খৰিয়াল (৩)
১৮। পানীত হোৱা এবিধ ঘাঁহ (২)
১৯। ফকীৰ সন্ন্যাসীক কৰা সম্বোধন (২)

পথালিয়ে ঃ
৩। নিৰ্বাসন, ঘৰৰ বাহিৰত থকা অৱস্থা (৪)
৫। অসমীয়া মহিলাই পিন্ধা ঠেক কাপোৰ (২)
৬। ওলমি থকা (৪)
৭। নাঙল (২)
৮। এবিধ আন গছৰ ৰস খাই জীয়াই থকা উদ্ভিদ (৪)
১০। আদৰ বা সন্মানত দিয়া বস্তু (৪)
১৪। সৰস্বতী, সাৰদা (৪)
১৫। দয়ালু, কৃপা (৪)
১৭। ৰাজহ, খাজনা (২)
১৮। ৰাজসভা (৪)
২০। মাক বা দেউতাকৰ দেউতাক (২)
২১। ধৰ্মঘট (৪)

© মৃন্মী

শব্দ চয়ন ঃ ১৫ৰ উত্তৰ

থিয়কৈ ঃ ১। ৰাং-কুকুৰ ৩। টকৌ-লাই ৪। তাত ৫। মীন ৬। ৰাজস্থান ৮। বীৰবল ১১। নাল ১৪। কেঁচকলি ১৫। ডাঠ ১৭। ডাক-বঙলা ১৮। কুন্তীকলা ২০। কক্ষপথ ২২। দশা ২৩। হাক।

পথালিয়ে ঃ ২। বিৰাট ৪। তামীঘৰ ৭। তন ৯। কুবেৰ ১০। ইনাম ১২। জন ১৩। বহ্নি ১৬। কেঁচ ১৮। কুন্তী ১৯। দিঠক ২১। কটক ২২। দহা ২৪। লাই-শাক ২৫। থলুৱা।

১২ বছৰত ৯খন বিউটী পাৰ্লাৰ স্থাপন

মৰাণৰ লেখিকা চুতীয়াৰ কৰ্মমুখী যাত্ৰা

অসমীয়াত এযাৰ কথা আছে— 'মন কৰিলেই চন, বাকৰি মাটিতে ধন'। কিবা এটা কাম কৰাৰ মনত অদম্য হেঁপাহ, নিজৰ লগতে আন দহগৰাকীক সংস্থাপনৰ সুবিধা দি বহু পৰিয়ালৰ ভৰণ-পোষণৰ বাট দেখুৱাই দিয়া এগৰাকী কৰ্মোদ্যমী নাৰী। উচ্চশিক্ষাৰে শিক্ষিত এই নাৰীগৰাকীয়ে চাকৰি বিচাৰি হাবাথুৰি নাখাই সৰু নগৰ মৰাণতে প্ৰথমে নিজকে সংস্থাপিত কৰি উপাৰ্জনৰ পথ হিচাপে বাছি ল'লে এখন 'বিউটী পাৰ্লাৰ' খোলাৰ। কথামতেই কাম। একাগ্ৰতা আৰু কৰ্মনিষ্ঠাৰ জৰিয়তে প্ৰায় ১২ বছৰৰ পাছত বৰ্তমান ৯খন বিউটী পাৰ্লাৰৰ স্বত্বাধিকাৰী হ'ল, য'ত প্ৰায় ২০গৰাকী মহিলাই কৰ্মত নিয়োজিত হৈ স্বাৱলম্বী নাৰী হিচাপে প্ৰতিষ্ঠিত হ'ব পাৰিছে। নিজকে সজাই-পৰাই ধুনীয়াকৈ থাকি ভাল পোৱা, আনকো ধুনীয়াকৈ থাকিবলৈ প্ৰায়োগিক আৰু ব্যৱহাৰিক জ্ঞান দিয়া, নিজে সংস্থাপিত হৈ আনকো সংস্থাপনৰ সুবিধা কৰি প্ৰত্যেককে মূলধন বিনিয়োগ কৰিবলৈ উৎসাহিত কৰা এই আদৰ্শবাদী নাৰীগৰাকীয়েই হ'ল মৰাণৰ 'লেখিকা চুতীয়া'। মৰাণ নগৰত ইতিমধ্যে বহুতো বিউটী পাৰ্লাৰ হৈছে যদিও সৌন্দৰ্য চৰ্চাৰ বাবে যিখিনি আধুনিক যন্ত্ৰ-পাতি দৰকাৰ, সেইবিলাক লেখিকা চুতীয়াৰ বিউটী পাৰ্লাৰত সহজে উপলব্ধ, যাৰ ফলত এই পাৰ্লাৰখনলৈ বহু নাৰীয়ে সৌন্দৰ্য চৰ্চা কৰিবলৈ অহা দেখা যায়।

আন এটা উল্লেখযোগ্য দিশ হৈছে যে বহু ছোৱালীয়ে এই পাৰ্লাৰত প্ৰশিক্ষণ গ্ৰহণ কৰি বহু ঠাইত বিশেষকৈ তিনিচুকীয়া, শিৱসাগৰ, ডিব্ৰুগড়, বাংগালোৰ আদিত নিজে গৈ পাৰ্লাৰ খুলি সেই প্ৰশিক্ষিত ছোৱালীয়ে নিজে সংস্থাপিত হোৱাৰ লগতে নতুন নতুন ঠাইত পাৰ্লাৰ খুলি সৌন্দৰ্য প্ৰশিক্ষণৰ ক্ষেত্ৰখন প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ লগতে নাৰীসকলক সৌন্দৰ্য সচেতন কৰি তুলিছে যাৰ ফলত বহু নাৰী মানসিক সৌন্দৰ্যৰ গৰাকীও হৈছে। কাৰণ শৰীৰ ভালে থাকিলে মনো ভালে থাকে।

অৰ্থনীতি বিজ্ঞানত এযাৰ কথা আছে—'মূলধন হৈছে সঞ্চৰ প্ৰধান উৎস।' এইগৰাকী নাৰীয়ে মাত্ৰ ১০০০ টকা প্ৰথমে বিনিয়োগ কৰি ১৩ বছৰৰ পিছত তেওঁৰ কৰ্মক্ষেত্ৰৰ পৰিসৰ বৃদ্ধি কৰি সম্প্ৰতি মাহে ৩ লাখ টকা উপাৰ্জন কৰি সৌন্দৰ্যৰ ক্ষেত্ৰখনত এক ডাঙৰ খোজ পেলাবলৈ সক্ষম হৈছে। প্ৰথম অৱস্থাত বিশেষ লক্ষ্য আৰু উদ্দেশ্য নাছিল যদিও প্ৰিয় সখী, নন্দিনী এইবিলাক আলোচনী পঢ়ি পঢ়ি সৌন্দৰ্য চৰ্চাৰ দিশটোৰ প্ৰতি তেওঁ বেছি আকৰ্ষিত হৈছিল।

'সহজ-সৰল জীৱন যাপন কিন্তু উচ্চ চিন্তা' লেখিকাৰ জীৱন পৰিক্ৰমাৰ প্ৰথম উল্লেখনীয় দিশ। দুখীয়া ছাত্ৰ-ছাত্ৰীক সহায় কৰা, অসুখীয়া নাৰীক পাৰ্যমানে টকা-পইচা আৰু ঔষধ-পাতি যোগান ধৰি এইগৰাকী নাৰীয়ে যথেষ্ট মানসিক সন্তুষ্টি লাভ কৰে। তদুপৰি নিজ পিতৃ-মাতৃক খুব সযতনেৰে ৰাখিবলৈ ভাল পোৱা লেখিকাই তেওঁলোকৰ বাবে খুব সুন্দৰ গৃহ নিৰ্মাণ কৰি দিয়াৰ লগে লগে ঘৰৰ লগতে সংলগ্ন কৰি এটা 'নামঘৰো' সজাই দিছে। তদুপৰি তেওঁৰ দুই ভাতৃৰ বাবেও স্বাৱলম্বিতাৰ প্ৰতি লক্ষ্য ৰাখি বহুখিনি কাম কৰিছে। এইবিলাক ভাল কামৰ কিন্তু কাহানিও প্ৰচাৰ বিচৰা নাই লেখিকাই। এদিন কথাৰ মাজতে ছল বুজি লেখিকাক সুধিছিলোঁ—'তুমি ইমানবিলাক ভাল কামৰ উপৰি আৰু কি কৰিবলৈ তোমাৰ ইচ্ছা আছে?' তেতিয়া লেখিকাই আমাক কৈছিল—'বাইদেউ, আমাৰ সমাজত শাৰীৰিকভাৱে আৰু মানসিকভাৱে নিৰ্যাতিতা বহু নাৰী আছে, যিসকলে সমাজৰ ভয়ত বা কোনো ব্যক্তিৰ ভয়ত কথাবিলাক মুখ খুলি ক'বলৈ ভয় আৰু লাজ কৰে। গতিকে এইবিলাক নিৰ্যাতিতা, আশ্ৰয়হীন মহিলাৰ বাবে এখন 'আশ্ৰয় গৃহ' খোলাৰ পৰিকল্পনা আছে।' ইতিমধ্যে এই মহান কামৰ বাবে তেওঁ পৰিকল্পনা হাতত লৈছে। সঁচাকৈ কিমান মহৎ চিন্তাৰ অধিকাৰী হ'লে এনে মহান চিন্তা মনলৈ আহিব পাৰে এই কথাটো ভাবিবলগীয়া।

আইভিলতা চুতীয়া

জ্ঞানী লোকে কয়— 'কোনো কামৰে সৰু-বৰ নাথাকে, মাত্ৰ সফল হ'বলৈ লাগে ধৈৰ্য আৰু একাগ্ৰতা।' প্ৰথম অৱস্থাত মানুহৰ ঘৰে ঘৰে 'অৰিফ্লেম'ৰ বস্তু বিক্ৰী কৰি সামান্য পৰিমাণে পোৱা টকা আৰু বেংকৰ পৰা ২ লাখ টকা ঋণ লৈ 'বিউটী পাৰ্লাৰ' আৰম্ভ কৰা পাৰ্লাৰৰ বৰ্তমান মাহেকীয়া উপাৰ্জন ৩ লাখ টকা, যি টকাৰ বহু অংশ ব্যয় কৰিছে বহু পৰিয়ালৰ ভৰণ-পোষণ আৰু বিপদত পৰা আৰ্তজনৰ লগত। তদুপৰি আৰ্থিকভাৱে দুৰ্বল ছাত্ৰীক সৌন্দৰ্য চৰ্চাৰ প্ৰশিক্ষণ বিনামূলীয়াকৈ আগবঢ়াইছে লেখিকাই। লেখিকাৰ কৰ্মজীৱনৰ প্ৰতি অশেষ শুভকামনা।

ফোন ঃ ৯৯৫৭৬-৬৭২৯৮

কুইজ বিচিত্ৰা-চৈধ্য

নৱকান্ত বৈশ্য

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ ৰূপে খ্যাত সাংবাদিকতাৰ ক্ষেত্ৰখনৰ সৈতে জড়িত ব্যক্তিসকলক উৎকৰ্ষ সেৱাৰ বাবে বিশ্বজুৰি বিভিন্ন বঁটা প্ৰদান কৰা হয়। বাতৰিকাকত, আলোচনী, অনলাইন সাংবাদিকতা অদিৰ ক্ষেত্ৰখনত দেখুওৱা পাৰদৰ্শিতাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰদান কৰা এটি বহুল চৰ্চিত বঁটা হৈছে পুলিৎজাৰ বঁটা। সাংবাদিকতাৰ উপৰি আন ২০টা শিতানত এই বঁটা প্ৰদান কৰা হয়। বাতৰিকাকতৰ প্ৰকাশক যোচেফ পুলিৎজাৰৰ স্মৃতিত নিউয়ৰ্ক চহৰৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ উদ্যোগত ১৯১৭ চনৰ পৰা এই বঁটা প্ৰদানৰ ব্যৱস্থা কৰা হয়। সাংবাদিকতাৰ সাৰ্বজনীন সেৱা শ্ৰেণীত শ্ৰেষ্ঠত্ব লাভ কৰাজনক সোণৰ পদকৰ লগতে মানপত্ৰ আৰু ১৫,০০০ আমেৰিকান ডলাৰেৰে সন্মানিত কৰা হয়। ১৯৩৭ চনত আন ৪গৰাকী সাংবাদিকৰ সৈতে এই বঁটা লাভ কৰা গোবিন্দ বিহাৰী লাল হৈছে প্ৰথমগৰাকী ভাৰতীয়। তেওঁলোকে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ চতুৰ্থ শতবাৰ্ষিকী উপলক্ষে সেই বিশ্ববিদ্যালয়ত বিজ্ঞান শিক্ষাৰ পৰিকাঠামোৰ বিষয়ে এলানি প্ৰবন্ধ প্ৰকাশ কৰিছিল।

কুইজৰ বাতৰি তথা যিকোনো তথ্য প্ৰকাশৰ বাবে আমাৰ শ্ৰদ্ধাৰ পাঠকসকলে ৮৬৩৮৩-৭৮৩৬৯ ম'বাইল নম্বৰত এছএমএছ বা হোৱাট্ছএপযোগে অথবা quizbichitra @gmail.comত ই-মেইলযোগে প্ৰেৰণ কৰিব পাৰে।

সংবাদ শিৰোনাম

১. ২০২৪ চনত মহিলাৰ এছিয়ান হকী চেম্পিয়নছ ট্ৰফী প্ৰতিযোগিতা কোন চহৰত আয়োজিত হৈছে?
২. ভাৰতবৰ্ষত ১১ নৱেম্বৰ তাৰিখটো কি দিৱস ৰূপে পালন কৰা হয়?
৩. কোনটো চৰকাৰী সংস্থাৰ উদ্যোগত অলপতে নতুন দিল্লীত সন্ত্ৰাসবিৰোধী বৈঠক-২০২৪ আয়োজিত হৈছিল?
৪. ২০২৪ বৰ্ষৰ ৰোহিণী নায়াৰ বঁটাপ্ৰাপকগৰাকীৰ নাম কি?
৫. শেহতীয়াভাৱে কোন ৰাজ্যই চৰকাৰী চাকৰিত মহিলাৰ বাবে ৩৫ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছে?

সাংবাদিকতাৰ বঁটা

১. কোনটো ভাৰতীয় সাংবাদিকতাৰ বঁটা এক সংবাদ গোষ্ঠীৰ প্ৰতিষ্ঠাপকৰ জন্ম শতবাৰ্ষিকী উপলক্ষে প্ৰতিষ্ঠা কৰা হৈছিল?
২. ক্ৰীড়া সাংবাদিকতাৰ বাবে ৰামনাথ গোৱেংকা বঁটা লাভ কৰা প্ৰথম ভাৰতীয় সাংবাদিকগৰাকী কোন?
৩. ইউনেস্কোৰ উদ্যোগত ১৯৯৭ চনত স্থাপিত কোনটো সাংবাদিকতাৰ সাহসিকতাৰ বঁটা প্ৰতিবছৰে ৩ মে' অৰ্থাৎ বিশ্ব প্ৰেছ স্বাধীনতা দিৱসৰ দিনা প্ৰদান কৰা হয়?
৪. ২০১৯ চনৰ মাৰ্চ মাহত শেহতীয়াভাৱে বিবিচিৰ সংবাদদাতা প্ৰিয়ংকা ডুবেই লাভ কৰা কোনটো সাংবাদিকতাৰ বঁটা কেৱল মহিলা সাংবাদিকৰ বাবে ১৯৮১ চনত প্ৰথমবাৰৰ বাবে প্ৰদান কৰা হৈছিল?
৫. অভাৰচীজ প্ৰেছ ক্লাৱ অৱ আমেৰিকাৰ দ্বাৰা প্ৰতিবছৰে শ্ৰেষ্ঠ সাহসী ফটো সাংবাদিকতাৰ বাবে কোনটো সন্মানীয় বঁটা প্ৰদান কৰা হয়?

কুইজ বিচিত্ৰা (তেৰ)ৰ উত্তৰসমূহ

১.বটছৱানা।
২. ইলেক্ট্ৰনিক্স আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰালয়।
৩. উত্তৰ কোৰিয়া।
৪. দুৰ্গেশ অৰণ্য জুল'জিকেল পাৰ্ক, হিমাচল প্ৰদেশ।
৫. টাইৱান।
৬. ছাজিদ-ৰাজিদ।
৭. বিশাল-শেখৰ।
৮. অজয়-অতুল।
৯. সঞ্জীৱ-দৰ্শন।
১০. শচীন-জিগৰ।
১১. টাইকোৱানডো।

সপ্তাহটোৰ প্ৰশ্ন

১৯০২ চনত স্থাপিত এই বৃত্তিটো বিশ্বৰ আটাইতকৈ প্ৰাচীন স্নাতকোত্তৰ বৃত্তি। প্ৰথম অৱস্থাত কমনৱেলথ দেশসমূহৰ পুৰুষ ছাত্ৰসকলৰ বাবে মুকলি থকা এই বৃত্তিটো ১৯৭৭ চনত মহিলাৰ বাবেও মুকলি কৰা হয়। ভাৰতবৰ্ষৰ বাবে ৬টা শিতানত নিৰ্ধাৰিত থকা এই বৃত্তিটোৰ নাম কি ?

সুকন্যা
দে ও ব ৰী য়া
দেওবাৰ, ১৭ নৱেম্বৰ ২০২৪

কপৌজাতীয় উদ্ভিদ

সংৰক্ষণ সংবৰ্ধন আৰু সম্ভাৱনা

অৰ্কিড (Orchid) বা কপৌজাতীয় উদ্ভিদ প্ৰকৃতিৰ অনুপম সৃষ্টি। অৰ্কিডৰ মোহনীয় সৌন্দৰ্য আৰু ফুলৰ বিচিত্ৰ গঢ়ে (Floral architecture) সকলো মানুহকে মোহাচ্ছন্ন কৰিব পাৰে। পুষ্পধাৰী বা সপুষ্পক উদ্ভিদ শ্ৰেণীৰ (Flowering Plants) সিংহভাগ ঠাই কপৌজাতীয় উদ্ভিদে দখল কৰিছে। অৰ্কিডৰ বিস্তাৰণ (Distribution), মন কৰিবলগীয়া। অতিশয় ঠাণ্ডা আৰহাৱাৰ মেৰু অঞ্চল আৰু অতিকৈ উষ্ণ আৰহাৱাৰ মৰু অঞ্চলক বাদ দি পৃথিৱীৰ প্ৰায় সকলো অঞ্চলত কপৌজাতীয় উদ্ভিদৰ বিস্তাৰণ পৰিলক্ষিত হয়। সেয়ে অৰ্কিডৰ বিস্তাৰণ বিশ্বব্যাপী (Cosmopolitan)। তুলনামূলকভাৱে আৰ্দ্ৰ (Moist) আৰহাৱা পছন্দ কৰে। সেয়ে বিশ্বৰ ক্ৰান্তীয় (Tropical) অঞ্চলবোৰত অৰ্কিডৰ সৰ্বাধিক উপস্থিতি ধৰা পৰিছে।

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰততো অৰ্কিডৰ

বিচিত্ৰতা (Diversity) মন কৰিবলগীয়া। ভাৰতবৰ্ষৰ ১১খন ভৌগোলিক উদ্ভিদ ক্ষেত্ৰত অৰ্কিডৰ উপস্থিতি বিদ্যমান। এই ১১খন ভৌগোলিক উদ্ভিদ ক্ষেত্ৰৰ (Phytogeographical region) ভিতৰত পূৰ্ব হিমালয় ক্ষেত্ৰত (Eastern Himalaya Region) অৰ্কিডৰ সৰ্বাধিক বৈচিত্ৰ্য (Diversity) পৰিলক্ষিত হয়। ভাৰতবৰ্ষৰ পৰা বৰ্তমানলৈকে ৪০০ প্ৰজাতিৰ থলুৱা (Endemic) অৰ্কিড তালিকাভুক্ত হৈছে। ভাৰতবৰ্ষৰ প্ৰায়বোৰ অৰ্কিডৰ আৱাসস্থল হিমালয় অঞ্চল (Himalaya) আৰু আন্দামান-নিকোবৰ দ্বীপপুঞ্জ।

উদ্ভিদ বিজ্ঞানৰ দৃষ্টিকোণেৰে কপৌজাতীয় উদ্ভিদ (Orchid) :

কপৌজাতীয় উদ্ভিদক একবীজপত্ৰী উদ্ভিদ গোটৰ (Monocot) অৰ্কিডেচি (Orchidaceae) গোত্ৰত (Family) অন্তৰ্ভুক্ত কৰা হৈছে। অৰ্কিডেচি গোত্ৰটো সপুষ্পক উদ্ভিদৰ এটা অন্যতম বৃহৎ গোট। ভাৰতবৰ্ষত অৰ্কিডৰ বৈচিত্ৰ্যই উদ্ভিদবিদসকলকো হতচকিত কৰিছে। ড্ৰেচলাৰ (১৯৯৩) নামৰ উদ্ভিদ বিজ্ঞানীগৰাকীয়ে আগবঢ়োৱা তথ্য অনুসৰি বিশ্বত ৭৫০-৮০০ গণৰ (Genus) অন্তভুক্ত ২৫,০০০- ৩০,০০০ প্ৰজাতিৰ অৰ্কিড বিস্তাৰিত হৈ আছে।ভাৰতবৰ্ষৰ আশাব্যঞ্জক অৰ্কিড বৈচিত্ৰ্যই (Diversity) উদ্ভিদবিদসকলৰ মোহাবদ্ধআৰু আনন্দিত কৰিছে। ১৬৭টা গণৰ (Genus) অন্তৰ্গত ২,৫০০ প্ৰজাতিৰ (Species) অৰ্কিড ভাৰতভূমিৰ পৰা তালিকাভুক্ত হৈছে।

অৰ্কিড (Orchid) নামৰ উৎপত্তি

গ্ৰীক দাৰ্শনিক থিওফ্ৰাষ্টাছে (Theophrastus) পোনতে কপৌজাতীয় উদ্ভিদক বুজাবলৈ 'Orchis' শব্দৰ ব্যৱহাৰ কৰিছিল। গ্ৰীক মূলৰ অৰ্কিছ (Orchis) শব্দৰ পৰাই অৰ্কিড (Orchid) শব্দটো নিষ্পন্ন হৈছে। গ্ৰীক মূলৰ অৰ্কিছ (Orchis) শব্দৰ অৰ্থ হৈছে অণ্ডকোষ বা অণ্ডাশয় (Testes)। সৰহভাগ স্থলজ বা ভূমিবাসী (Terrestrial) অৰ্কিডৰ কণ্ডৰ (Tuber) আকাৰৰ সৈতে অণ্ডাশয়ৰ সাদৃশ্য পৰিলক্ষিত হয়। সেইবাবেই অৰ্কিড (Orchis) শব্দটো প্ৰয়োগ কৰা হৈছিল। ইউৰোপীয়সকলে প্ৰাচীনকালৰে পৰাই অৰ্কিডক যৌনতাৰ (Sex) প্ৰতীক হিচাপে গণ্য কৰি আহিছে। অৰ্কিডৰ কণ্ড (Tuber) যৌনোদ্দীপক (Aphrodisiac) গুণাৱলীৰে ভৰপূৰ। আধুনিক চিকিৎসাশাস্ত্ৰতো এই গুণৰ বাবেই অৰ্কিডৰ ব্যৱহাৰ কৰা হয়। যৌনশক্তি (Sexual vigour) আৰু শুক্ৰকোষৰ বৃদ্ধিৰ (Sperm Count) বাবে আধুনিক কেপছুলত অৰ্কিড ব্যৱহাৰ কৰা হয়।

ভাৰতীয় সংস্কৃতিত অৰ্কিড

পৌৰাণিক ভাৰতীয় চিকিৎসাবিধি আৰু পৰম্পৰাগত জ্ঞানত অৰ্কিডৰ বৰঙণি মন কৰিবলগীয়া। আয়ুৰ্বেদ চিকিৎসাতো অৰ্কিড বেচ জনপ্ৰিয় উপকৰণ। ভাৰতীয় প্ৰাচীন চিকিৎসা ব্যৱস্থাত ব্যৱহাৰ হোৱা কেতবোৰ অৰ্কিড হৈছে ৰিদ্ধি, বৃদ্ধি, বন্দক, জীৱন্তী, ধন্য আদি। আলংকাৰিক গুণৰ বাবে অৰ্কিড বেচ জনপ্ৰিয়। মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ কাহিনীত অৰ্কিডক অলংকাৰ/অংগৰাগ (Ornaments) হিচাপে ব্যৱহাৰ কৰা হৈছিল বুলি উল্লেখ পোৱা যায়। সীতাদেৱী বনত থকাৰ সময়ত কেশসজ্জাত কপৌফুল (Foxtail orchid) ব্যৱহাৰ কৰিছিল। সেয়ে কপৌফুলক 'সীতাপুষ্প' নামেৰে জনাযায়। একেদৰে পাণ্ডৱ ভাৰ্যা দ্ৰৌপদীয়ে বনবাসৰ বেলিকা Aerides গণৰ কপৌ প্ৰজাতি কেশসজ্জাত ব্যৱহাৰ কৰিছিল। সেয়ে Aerides গণৰ অৰ্কিডবোৰক 'দ্ৰৌপদীপুষ্প' নামেৰেও জনা যায়।

অসমীয়া সংস্কৃতিত অৰ্কিড

অসমৰ বিহু সংস্কৃতিত কপৌফুলৰ স্থান অদ্বিতীয়। তাহানিৰ পৰা কপৌফুল প্ৰেম-প্ৰণয়, উৰ্বৰতা আৰু ধনাত্মকতাৰ প্ৰতীক হিচাপে গণ্য হৈ আহিছে। অসমৰ শিৱসাগৰ, যোৰহাট, চৰাইদেউ আৰু লখিমপুৰ জিলাৰ বৌদ্ধধৰ্মাৱলম্বী লোকসকলে ভাটৌফুল (Vanda teres) বুদ্ধমূৰ্তিত অৰ্পণ কৰে। অৰ্কিডৰ ফুলৰ আকাৰ, গড়ত যে বৈচিত্ৰ্য বিদ্যমান তেনে নহয়। ইহঁতৰ চৰিত্ৰগত দিশ (Habit) আৰু বাসস্থানতো (Habitat) অত্যন্ত বিভিন্নতা পৰিলক্ষিত হয়। পৰাশ্ৰয়ী অৰ্কিড (Epiphyte), স্থলজ/ভূমিবাসী (Terrestrial/Ground), শিলবাসী/ শৈলজ অৰ্কিড (Lithophyle) আৰু মৃতজীৱি (Saphrophite) ৰূপে ইহঁতক দেখা যায়। আটাইতকৈ বেছি বিভিন্নতা আৰু সংখ্যাগত অধিক্য পৰাশ্ৰয়ী অৰ্কিডবোৰৰ মাজত দেখিবলৈ পোৱা যায়। পৰাশ্ৰয়ী উদ্ভিদে কেৱল অন্য গছত আশ্ৰয়/থিতাপিহে লয়, আশ্ৰয়দাতাৰ (Host) পৰা কোনোধৰণৰ পুষ্টিদ্ৰব্য আহৰণ নকৰে। উদাহৰণস্বৰূপে কপৌফুল (Rhynchostylis retusa), ভাটৌফুল (Vanda teres), শালিকাফুল (Dendrobium lituiflorum) ইত্যাদি।

অৰ্কিডৰ ভেষজ গুণ

ভেষজগুণত অৰ্কিড চহকী উদ্ভিদ। ভাৰতীয় চিকিৎসাশাস্ত্ৰত আয়ুৰ্বেদতে (Ayurveda) অৰ্কিডৰ ব্যৱহাৰ লক্ষণীয়। অষ্টবৰ্গ (Astavarga) হৈছে আঠবিধ উপকৰণেৰে তৈয়াৰী এবিধ ঔষধ। এই উপকৰণসমষ্টি বিখ্যাত ঔষধ চয়নপ্ৰাশ (Chavyanprasha) প্ৰস্তুতকৰণত ব্যৱহাৰ হয়। এই আঠবিধ উপকৰণৰ চাৰিভাগেই অৰ্কিড। এই অৰ্কিডবোৰ হৈছে— Malaxis acuminala, Malaxis muscifera, Habenaria intermedia আৰু Plantheva edgeworthi। ইবোৰৰ উপৰি Dactylorhiza halagirea, Gymnadenia orchidis, Eulophia campertric, Vanda tesellata, Dendrobium nobile আদি অৰ্কিডৰ ঔষধি গুণ বিদ্যমান। ৪০বিধ ভিন্ন প্ৰজাতিৰ Dendrobium অৰ্কিড চীনৰ পৰম্পৰাগত ঔষধ প্ৰস্তুতকৰণত ব্যৱহাৰ হয়। Vanda গণৰ বহুবিধ অৰ্কিড প্ৰদাহবিৰোধী (Anti-inflammatory) ঔষধ প্ৰস্তুতকৰণত ব্যৱহাৰ কৰা হয়। ইণ্ডোনেছিয়া, মালয়েছিয়া, টাইৱান, ছিংগাপুৰ, ভিয়েটনাম, থাইলেণ্ড, ম্যানমাৰ প্ৰভৃতি এছীয় (Asian) দেশত ইতিহাসে ঢুকি নোপোৱাকালৰ পৰা অৰ্কিডৰ ব্যৱহাৰ কৰি অহা হৈছে। আমেৰিকাত Vanilla planifolia নামৰ অৰ্কিড বিধক পেশীয় শক্তি বৃদ্ধিআৰু বাতবিষ নিৰাময়ত ১৫ শতিকাৰ পৰা ব্যৱহাৰ

❑ সুমিত দাস

কৰি আহিছে। অৰুণাচল প্ৰদেশেও বিভিন্ন লোক-চিকিৎসাত (Folk medicine) অৰ্কিড ব্যৱহাৰ কৰা দেখা যায়। অসমতো দুই-এক পৰম্পৰাগত ব্যৱহাৰ পৰিলক্ষিত হয়। কাণৰ বিষত কপৌফুলৰ পাতৰ দুটোপাল ৰস ব্যৱহাৰ কৰিলে উপশম পোৱা যায়।

অৰ্কিডৰ অৰ্থনৈতিক গুৰুত্ব

কপৌজাতীয় উদ্ভিদ বা অৰ্কিডৰ ফুলৰ আকাৰ, বিচিত্ৰ ৰং, মৃদু-তীব্ৰ সুঘ্ৰাণ আৰু ফুলবোৰৰ চিত্তাকৰ্ষক গড়ৰ বাবে বিশ্বব্যাপী বেচ জনপ্ৰিয়তা দেখা যায়। উদ্যানপুষ্প হিচাপে এছীয় (Asian) দেশবোৰত অৰ্কিডৰ স্থান অনন্য। অৰ্কিডৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে ইহঁতৰ ফুলৰ স্থায়িত্ব আন কেতবোৰ ফুলতকৈ তুলনামূলকভাৱে বেছি। এই জনপ্ৰিয়তাৰ ববেই বিশ্বব্যাপী ১.২ লাখ বৰ্ণসংকৰ (Hybrid) জাতৰ অৰ্কিডৰ খেতি কৰা হয়। ভাৰতীয় অৰ্কিডৰ ৭০বিধ প্ৰজাতি ইতিমধ্যে উদ্ভিদ সংবৰ্ধন। কলাকৰ্ষণ ক্ৰিয়াত ব্যৱহাৰ কৰা হৈছে। সাম্প্ৰতিক সময়ত অৰ্কিডৰ পুষ্পমঞ্জুৰী (Inflorescence), পুলিৰ বাণিজ্যিকীকৰণত বহুত ৰাষ্ট্ৰই গুৰুত্ব প্ৰদান কৰিছে। পুষ্পসজ্জা (Floral arrangement or Bouquet) প্ৰস্তুতকৰণ, আভ্যন্তৰীণ গৃহসজ্জা (Home decor) আদি কাৰ্যত সম্প্ৰতি অৰ্কিডৰ ব্যৱহাৰ বাঢ়ি অহা দৃষ্টিগোচৰ হৈছে।

অৰ্কিড বৈচিত্ৰ্যৰ অৱক্ষয়

যদিও অৰ্কিড এই বিশ্বৰ অন্যতম বৃহৎ উদ্ভিদ গোট তথাপিতো বিশ্বব্যাপী অস্তিত্বৰ সংকটত ইহঁত ত্ৰস্তমান। পৰাশ্ৰয়ী অৰ্কিড অন্য গছৰ ওপৰত ভিত্তি কৰি জীয়াই থাকে। অৱধি হাৰত বননি ধ্বংস কৰাৰ ফলত অৰ্কিডবোৰে বাসস্থানৰ সংকটত পৰিছে। এই কথাষাৰ মনত ৰখা উচিত যে গছ থাকিলেহে অৰ্কিড থাকিব। কৃষিভূমিৰ প্ৰসাৰণ, ঝুম কৃষি, অৰণ্য ধ্বংস কৰি নিৰ্মাণ কৰা আন্তঃগাঁথনিয়ে অৰ্কিডৰ বাবে যম হৈ থিয় দিছে।

অৰ্কিড সংৰক্ষণৰ প্ৰয়োজনীয়তা

অৰ্কিড মিলিয়ন বছৰ ক্ৰমবিকাশৰ ফচল। ঐতিহ্যবাহী এই উদ্ভিদৰ নৈসৰ্গিক, অভিৰুচীয়, নৈতিক আৰু পৰিৱেশতান্ত্ৰিক গুৰুত্ব বিদ্যমান। অৰ্কিড সম্পদক উদ্যানপুষ্প (Horticulture), ঔষধি গুণ (Medicinal value) আৰু অৰ্থনৈতিক গুণৰ বাবে গুৰুত্ব প্ৰদান কৰা হয়। ২৮০বিধ ভাৰতীয় থলুৱা (Native) অৰ্কিড প্ৰজাতি সম্প্ৰতি সংকটৰ গৰাহত পৰিছে বুলি ঠাৱৰ কৰা হৈছে। অৰ্কিডবোৰ সুস্থ বাতাৱৰণৰ জীৱিয়সূচক (Biological indicators) প্ৰদূষিত বাতাৱৰণত নগজে। তেনে ঠাইত আমিও অৰ্কিত ৰোপণ কৰিলেও বৃদ্ধি মন্থৰ হয় আৰু ক্ৰমশঃ মৃত্যুমুখত পৰে।

অৰ্কিডৰ সংৰক্ষণ

১। অন্তঃ সংৰক্ষণ/স্ব-স্থানত সংৰক্ষণ ঃ প্ৰাকৃতিক স্থানত কৰা সংৰক্ষণক স্ব-স্থানত সংৰক্ষণ বা 'অন্তঃ সংৰক্ষণ' বুলি ধৰা হয়। জীৱমণ্ডল সংৰক্ষিত অঞ্চল (Biosphere Reserve), ৰাষ্ট্ৰীয় উদ্যান (National Park), অভয়াৰণ্য (Sanctury) আদি স্ব-স্থানত সংৰক্ষণৰ উদাহৰণ। অৰ্কিডবোৰো ইবোৰৰ প্ৰাকৃতিক এলেকাত কেতবোৰ সংৰক্ষিত অঞ্চলত সুৰক্ষা প্ৰদান কৰা হয়।ভাৰতবৰ্ষৰ অৰুণাচল, চিকিম, কৰ্ণাটক আৰু পশ্চিমবংগই অৰ্কিডেৰে চহকী অৰণ্যস্থানক অৰ্কিড অভয়াৰণ্য (Orchid Sanctury) হিচাপে ঘোষণা কৰিছে। আইনগতভাৱে অৰ্কিডক ভাৰতীয় বন্যপানী সংৰক্ষণ আইন, ১৯৭২ (wildlife Pro- tection Act. ১৯৭২)ৰ 'অন্তৰ্গত অনুসূচীত অন্তৰ্ভুক্ত কৰি সুৰক্ষা প্ৰদান কৰা হৈছে।

২। বহিঃ সংৰক্ষণ/পৰস্থানত সংৰক্ষণ ঃ প্ৰাকৃতিক স্থানৰ পৰা বাহিৰলৈ আনি কৃত্ৰিম বাসস্থানত কৰা সংৰক্ষণক বহিঃ সংৰক্ষণ বা পৰস্থানত সংৰক্ষণ বুলি ধৰা হয়। চিৰিয়াখানা (Zoo), উদ্ভিদ উদ্যান (Botani- cal Garden), জিন বেংক (Gene Bank) আদি পৰস্থানত সংৰক্ষণৰ উদাহৰণ। সংকটগ্ৰস্ত অৰ্কিডবোৰক সুৰক্ষা প্ৰদান কৰিবলৈ ভাৰতীয় উদ্ভিদবিদ্যা জৰীপে (Botanical Survey of India) তিনিটা অৰ্কিডেৰিয়া (Orchidaria) নিৰ্মাণ কৰিছে। ৰাষ্ট্ৰীয় অৰ্কিড গৱেষণা প্ৰতিষ্ঠান (National Research Centre for Orchids), চিকিম আৰু কেৰালাস্থিত ক্ৰান্তীয় উদ্ভিদ উদ্যান আৰু গৱেষণা প্ৰতিষ্ঠান, ত্ৰিবান্দ্ৰমে (Tropical Botanical Garden and Research Institute, Trivandrum) অৰ্কিড সংৰক্ষণত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

ফোন ঃ ৬০০০৫-৭০১৬৩

সপ্তাহটোৰ আলোকচিত্ৰ

মডেল ঃ হিয়ামণি দাস
ফটো ঃ তন্ময়

ৰেচিপি

চিকেন টেংগী কাবাব

উপকৰণ
চিকেন লেগপিচ (legs pieces)– ৪/৫ টুকুৰা
আদা, নহৰু পেষ্ট --- ২ চামুচ
দৈ— আধা কাপ
নেমু ৰস— ৩/৪ চামুচ
বেচন ---২ চামুচ
জলকীয়া গুৰি, গৰম মচলা, জালুকৰ গুৰি, চাট মচলা, নিমখ আৰু হালধি ---১ চামুচকৈ (জোখ অনুপাতে)
বাটাৰ/তেল-- জোখ অনুসৰি

প্ৰণালী
এটা পাত্ৰত চিকেনৰ টুকুৰাখিনি দি সকলোবোৰ মচলা সানি ২/৩ ঘণ্টা মান সময় মেৰিনেট কৰি ৰাখি থ'ব। তাৰ পিছত চিকেনখিনি অলপ অলপ তেল লগাই অভেনত গ্ৰীল কৰক ১০০ পাৱাৰত ৩০/৩৫ মিনিট মান সময়ৰ বাবে। মাজে মাজে অভেন বন্ধ কৰি চিকেন পিছ কেইটুকুৰা লুটিয়াই দিব। এইদৰে প্ৰস্তুত কৰি ল'ব। এতিয়া প্ৰস্তুত হৈ যোৱা চিকেন টেংগী কাবাবখিনি গৰমে গৰমে চাটনিৰ সৈতে জুতি লওক।

❑ পম্পী শৰ্মা খাউণ্ড

কচুৰে ৰন্ধা কেঁচা মগুমাহৰ দাইল

বাকলি থকা মগুমাহৰ দাইল

উপকৰণ
বাকলি থকা মগুমাহ ---২কাপ
কচু ---১টা (টুকুৰা কৰি কাটি লোৱা)
বিলাহী ---২টা (কাটি লোৱা)
কেঁচা জলকীয়া--২টা
কেঁচা ধনীয়া পাত--১মুঠি (কাটি লোৱা)
পাঁচফোৰণ --- ১ চামুচ
শুকান জলকীয়া--২টা
নিমখ, হালধি, তেল--জোখ অনুপাতে

প্ৰণালী ঃ প্ৰথমে মগুমাহখিনি ২/৩ ঘণ্টা মান সময় পানীত তিয়াই টুকি লৈ বাকলিখিনি গুচাই ধুই ল'ব।
এতিয়া এটা প্ৰেচাৰ কুকাৰত বাকলি গুচাই লোৱা মগুমাহখিনি আৰু কাটি লোৱা কচুখিনি দিব। জোখ অনুসৰি পানী দি নিমখ, হালধি দিব। ২টামান হুইচেল আহিবলৈ দি নমাই দিব।
এতিয়া এটা কেৰাহীত তেল দি পাঁচফোৰণ, শুকান জলকীয়া, কেঁচা জলকীয়া দিব। লগত কাটি লোৱা বিলাহীখিনি দি অলপ সময় ভাজি ল'ব। এতিয়া সিজাই লোৱা মগুমাহখিনি দি ভালদৰে উতলিবলৈ দিব। তাৰ পিছত দাইলখিনিত কেঁচা ধনীয়া পাত কাটি দি নমাই গৰমে গৰমে ভাতৰ লগত পৰিৱেশন কৰক। খুব সুন্দৰ হয় এই দাইলখন খাবলৈ।

প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ হৈ ভৱেশ চন্দ্ৰ ডেকাৰ দ্বাৰা বৰাগাঁও, গুৱাহাটী-৩৩, মৰাণ-ডিব্ৰুগড়, বিশ্বনাথ চাৰিআলি আৰু আগিয়া, গোৱালপাৰাৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত ❑ যোগাযোগৰ ঠিকনা ঃ নিউজ লাইভ বিল্ডিং, খ্ৰীষ্টানবস্তি, গুৱাহাটী- ৫
Published and Printed by Bhabesh Chandra Deka on behalf of Pride East Entertainment (P) Ltd. Boragaon-Guwahati, Moran-Dibrugarh, Biswanath Chariali, Agia-Goalpara, Office Address : News Live Building, Christian Basti, Guwahati-5, Executive Editor : Amal Das , Editor : Naresh Kalita
❑ ফোন ঃ গুৱাহাটী (০৩৬১) ২৩৪০৯০০/২৩৪১২০১/২৩৪১২০২ ❑ যোৰহাট ঃ (০৩৭৬) ২৩০০১৪৪ ❑ ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৬৭৬৮ ❑ ই-মেইল ঃ niyamiyabarta@gmail.com, বিজ্ঞাপন বিভাগৰ ই-মেইল ঃ niyamiyaadvt@prideeast.com
❑ কাৰ্যবাহী সম্পাদক ঃ অমল দাস ❑ সম্পাদক ঃ নৰেশ কলিতা